www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, DECEMBER 7, 2024 ■ শনিবাৰ, ২১ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৩৪ Guwahati, Assam ।। মূল্যঃ এটকা

## অচিনাক্ত মৃতদেহ উদ্ধাৰ জালুকবাৰীত

ই-সংবাদ, ৬ ডিচেম্বৰঃ গুৱাহাটী মহানগৰীৰ জালুকবাৰীত এটা পচিবলৈ ধৰা ৩ পৃষ্ঠাত চাওক

## ৰাহুল গান্ধীক সাক্ষাৎ কৰিয়েই এক হৈ যুঁজাত গুৰুত্ব ভূপেন বৰাৰ



# ৰাজীৱ ভৱনত নতুন ঘড়ী!

ই-সংবাদ, ৬ ডিচেম্বৰঃ ২০২৬ চনত বিজেপি বিৰোধী দল আৰু আন শক্তিসমূহক একত্ৰিত কৰি অ-বিজেপি এখন চৰকাৰ গঠন কৰিবৰ বাবে আমি সংকল্প গ্ৰহণ কৰিছো। ইয়াৰ বাবে আমি সকলোৱে এক হৈ থাকিব লাগিব। ৰাহুল গান্ধী ডাঙৰীয়াইয়ো আমাক সাহস শেষাংশ ৫ পৃষ্ঠাত

## দিল্লীত ভোটাৰ তালিকাত অনিয়মৰ অভিযোগ আপৰ

নতুন দিল্লী, ৬ ডিচেম্বৰঃ দিল্লীৰ আসন্ন বিধানসভা নিৰ্বাচনৰ পূৰ্বে ভোটাৰ তালিকাত জালিয়াতিৰ অভিযোগ শেষাংশ ৩ পৃষ্ঠাত

## বিসম্বাদ! শপত গ্ৰহণৰ পূৰ্বে পদ্মৰ কাষ পালে ভৰেশ

শিবিৰ সলনি কৰিবলৈ সাজু কেবাজনো!



ই-সংবাদ, ৬ ডিচেম্বৰঃ এজনক দিব বুলি কৈ ৩ নতুন মুখসহ চাৰি বিধায়কক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰাত বিজেপিত শেষাংশ ৩ পৃষ্ঠাত

## বৰপেটা সত্ৰত টিনপাত কেলেংকাৰী

ই-সংবাদ, ৬ ডিচেম্বৰঃ ৰাজ্যৰ পবিত্ৰ স্থান ৰূপে গণ্য কৰা শংকৰী সংস্কৃতিৰ পীঠস্থান স্বৰূপ নামনি অসমৰ বৰপেটা সত্ৰৰ টকা লুণ্ঠন কৰিবলৈ কুণ্ঠাবোধ নকৰিলে একাংশ লোকে। বৰপেটা সত্ৰৰ শেষাংশ ৫ পৃষ্ঠাত

## ৰকিবুলক পুনৰ আক্ৰমণ হিমন্তৰ

ই-সংবাদ, ৬ ডিচেম্বৰঃ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰাক্তন মন্ত্ৰী তথা ধুবুৰীৰ কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনক শেষাংশ ৪ পৃষ্ঠাত

## পুনৰ ৰাজপথ কঁপালে ক্ষুব্ধ কৃষকে

নতুন দিল্লী, ৬ ডিচেম্বৰঃ আকৌ এবাৰ নিজৰ অধিকাৰৰ দাবীৰে ৰাজপথত নামিছে দেশৰ অন্নদাতা কৃষক। ইয়াৰ শেষাংশ ২ পৃষ্ঠাত

## সীমিত হৈ পৰিব সংস্থাপন, অহা ৫ বছৰত বহুতেই হেৰুৱাব চাকৰি

# মধ্যবিত্তলৈ বিপদ মাতিছে কৃত্ৰিম বুদ্ধিমত্তাই!

মুম্বাই, ৬ ডিচেম্বৰঃ ভাৰতত ক্ৰমাগতভাৱে বৃদ্ধি পাইছে অৰ্থনৈতিক সংকট! গ্ৰাহকৰ জেপত ধনৰ অভাৱত ক্ৰমাৎ সংকুচিত হৈ আহিছে বজাৰ। শেহতীয়াকৈ দেশৰ শেষাংশ ৬ পৃষ্ঠাত



## ৯ হৈছিলগৈ ১! পুনৰীক্ষণৰ পাছত পালে ৯৬ নম্বৰ

ই-সংবাদ, কামপুৰ, ৬ ডিচেম্বৰঃ অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বহী শেষাংশ ২ পৃষ্ঠাত




নেপাল প্ৰিমিয়াৰ লীগ ক্ৰিকেট উপভোগ সুন্দৰীৰ, ফটো ভাইৰেল!

## ৰাজ্যসভাত টকাৰ বাণ্ডিল

নতুন দিল্লী, ৬ ডিচেম্বৰঃ ৰাজ্যসভাৰ অধিৱেশনৰ সময়তে শুকুৰবাৰে পুৰা এক আজৱ কাণ্ডই সৃষ্টি কৰিলে তীব্ৰ চাঞ্চল্যৰ। কংগ্ৰেছৰ সাংসদ অভিষেক মনু সিংভীৰ আসনত নগদ ধনৰ বাণ্ডিল উদ্ধাৰ হোৱাৰ পিছতে উত্তেজনাৰ সৃষ্টি হয় সদনৰ মজিয়াত। সিংভীয়ে ঘটনা সন্দৰ্ভত নিজৰ স্থিতি স্পষ্ট কৰি আগদিনা ৰাজ্যসভাত তেওঁৰ কাৰ্যকলাপৰ বিশদ বিৱৰণ শেষাংশ ৪ পৃষ্ঠাত

## মোদীক সাক্ষাৎ মণিপুৰৰ বিৰোধী নেতা-বিধায়কৰ

নতুন দিল্লী, ৬ ডিচেম্বৰঃ বিগত প্ৰায় ডেৰ বছৰ ধৰি গোষ্ঠীগত হিংসাৰ দাবানলত জ্বলি থকা মণিপুৰত শেষাংশ ৪ পৃষ্ঠাত



## সোণোৱালক দিল্লীত লগ কৰিলে মুখ্যমন্ত্ৰী হিমন্তই

ই-সংবাদ, ৬ ডিচেম্বৰঃ আজি নতুন দিল্লীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ শেষাংশ ২ পৃষ্ঠাত

## উদ্বোধনী অনুষ্ঠানত কংগ্ৰেছক সমালোচনা মোদীৰ

# দিল্লীত 'অষ্টলক্ষ্মী মহোৎসৱ' আৰম্ভ

নতুন দিল্লী, ৬ ডিচেম্বৰঃ উত্তৰ-পূব ভাৰতৰ প্ৰতি উন্নয়নৰ দৃষ্টিভংগীত এক নতুন দিগন্তৰ সূচনা কৰিলে 'অষ্টলক্ষ্মী মহোৎসৱ'ৰ উদ্বোধনী অনুষ্ঠানে।



শুকুৰবাৰে এই মহোৎসৱ উদ্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি বিগত চৰকাৰসমূহে শেষাংশ ২ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# পুনৰ ৰাজপথ কঁপালে ক্ষুব্ধ কৃষকে

বিপৰীতে পুনৰ ক্ষুব্ধ হৈ পৰা এই কৃষকসকলক প্ৰতিৰোধ কৰিবলৈ উঠিপৰি লাগিছে চৰকাৰ আৰু আৰক্ষী। কৃষকৰ 'দিল্লী চলো' আন্দোলনক লৈ শুকুৰবাৰে পুনৰ উত্তেজনাপূৰ্ণ হৈ পৰে পঞ্জাৱ-হাৰিয়ানা সীমান্ত। শস্যৰ নূন্যতম সমৰ্থন মূল্য (এম এছ পি)কে ধৰি একাধিক দাবীৰ বাবে আন্দোলন কৰি কৃষকসকলে এই পদযাত্ৰা আৰম্ভ কৰাৰ সময়তে হাৰিয়ানা আৰক্ষীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰে। শম্ভু সীমান্তত কংক্ৰিটৰ ব্লক, লোহাৰ পেৰেক, কাঁইটীয়া তাঁৰ আৰু বহুস্তৰীয় বেৰিকেড নিৰ্মাণ কৰি বাধা দিয়া হয় প্ৰতিবাদী কৃষকক। কিন্তু প্ৰতিবাদকাৰী কৃষকসকলে প্ৰথম পৰ্যায়ৰ বেৰিকেড ভঙা আগবাঢ়িবলৈ প্ৰয়াস কৰাৰ পিছতে পৰিস্থিতি উত্তপ্ত হৈ পৰে। ইয়াৰ পিছতে কৃষকৰ ওপৰত কন্দুৱা গেছ নিক্ষেপ কৰে আৰক্ষীয়ে। ইফালে আৰক্ষীয়ে এনে সুসজ্জিত হৈ প্ৰতিবাদী কৃষকক প্ৰতিহত কৰাৰ পিছতে কৃষকৰ গণতান্ত্ৰিক অধিকাৰত বাধা প্ৰদানৰ অভিযোগ কৰে প্ৰতিবাদকাৰীসকলে। কৃষক নেতা সুৰজিৎ সিং ফুল, সতনম সিং পান্নু, বলজিন্দৰ সিং চাদিয়ালা আদিয়ে কয়, 'আমি শান্তিপূৰ্ণভাৱে আমাৰ ন্যায্যতাৰ দাবী জনাইছো। কিন্তু চৰকাৰে বাৰে বাৰে আমাৰ প্ৰতিবাদ দমন কৰিবলৈ চেষ্টা কৰি আছে। ই গণতান্ত্ৰিক অধিকাৰ কাঢ়ি লোৱাৰ সমান।" লক্ষণীয় যে, কৃষকৰ প্ৰতিবাদৰ বাবে আম্বালাত ৯ ডিচেম্বৰলৈ ইন্টাৰনেট সেৱা বন্ধ কৰি দিয়া হৈছে। একে সময়তে প্ৰশাসনে পাঁচজন বা তাতকৈ অধিক লোকৰ সমাগম কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে। নিৰাপত্তা বজাই ৰাখিবলৈ অৰ্ধসামৰিক বাহিনী, ড্ৰোন আৰু জলকামান মোতায়েন কৰা হৈছে। আম্বালাৰ সকলো চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয় বন্ধ ৰখাৰ নিৰ্দেশ প্ৰদান কৰিছে প্ৰশাসনে। ইফালে শুকুৰবাৰে কৃষক সংগঠনৰ জাতীয় পতাকা আৰু প্ৰতীক চিহ্ন লৈ ১০১ জনীয়া কৃষকৰ এটা দলে সংসদ অভিমুখে পদযাত্ৰা কৰে। এম এছ পিৰ আইনী নিশ্চয়তা, ঋণ ৰেহাই, বিদ্যুতৰ মূল্যবৃদ্ধিৰ বিৰোধিতা, কৃষকৰ পেঞ্চন, লখিমপুৰ খেৰী গোচৰৰ ন্যায়ৰ দাবীৰে এই প্ৰতিবাদী সমদল উলিয়ায় কৃষকসকলে। ইয়াৰ উপৰিও ভূমি অধিগ্ৰহণ আইন, ২০২৩ প্ৰত্যাহাৰ কৰাৰ লগতে ২০২০-২১ বৰ্ষৰ কৃষক আন্দোলনৰ সময়ত নিহত কৃষকৰ পৰিয়ালক ক্ষতিপূৰণ দিয়াৰো দাবী জনায়।আনহাতে কেন্দ্ৰীয় মন্ত্ৰী ভগীৰথ চৌধুৰীয়ে কয় যে চৰকাৰৰ দুৱাৰ সদায় খোলা থাকে। কৃষকসকলে দিল্লীলৈ যোৱাৰ পৰিৱৰ্তে আমাৰ সৈতে আলোচনা কৰা উচিত। অৱশ্যে কৃষক নেতা সৰৱান সিং পাণ্ডেয়ে অভিযোগ কৰি কয় যে ফেব্ৰুৱাৰী মাহত চাৰিটা পৰ্যায়ৰ আলোচনা হৈছিল যদিও তাৰ পিছত চৰকাৰে কোনো উদ্যোগ লোৱা নাই। তেওঁ আৰু কয়, 'আমি আলোচনাৰ বাবে সাজু। অৱশ্যে আমাৰ দাবী চৰকাৰে মানি ল'ব লাগিব। ই কেৱল কৃষকৰ প্ৰশ্নই নহয়, দেশৰ ভৱিষ্যতৰো প্ৰশ্ন।" কৃষকৰ এই প্ৰতিবাদে দিল্লী আৰু চুবুৰীয়া অঞ্চলত উত্তেজনা বৃদ্ধি কৰিছে। এতিয়া এই পৰিস্থিতিত চৰকাৰ আৰু আন্দোলনকাৰীৰ মাজত কিবা আপোচ হয় নেকি সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লীত 'অষ্টলক্ষ্মী মহোৎসৱ' আৰম্ভ

কৰা অৱহেলাক সমালোচনা কৰে। তেওঁ কয়, 'পূৰ্বৰ চৰকাৰসমূহে ভোট আৰু জনসংখ্যাৰ ভিত্তিত উন্নয়নৰ বিচাৰ কৰিছিল। উত্তৰ-পূবৰ জনসংখ্যা আৰু ভোট কম হোৱাৰ বাবে অঞ্চলটোৰ উন্নয়ন কেতিয়াও তেওঁলোকৰ অগ্ৰাধিকাৰৰ তালিকাত নাছিল।" মোদীয়ে কয় যে অটল বিহাৰী বাজপেয়ীৰ চৰকাৰে প্ৰথমে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে সুকীয়া মন্ত্ৰালয় গঠন কৰি প্ৰতিটো মন্ত্ৰালয়ৰ বাজেটৰ ২০ শতাংশ অঞ্চলটোৰ উন্নয়নৰ বাবে আবণ্টন দিছিল। যোৱা দশকত উত্তৰ-পূবত উন্নয়নৰ এক উল্লেখযোগ্য যাত্ৰা হৈছে বুলি আঙুলিয়াই দি প্ৰধানমন্ত্ৰীয়ে কয়, 'এই যাত্ৰা সহজ হোৱা নাছিল। ভাৰতৰ উন্নয়ন যাত্ৰাৰ সৈতে উত্তৰ-পূৰ্বাঞ্চলক সংযোগ কৰাৰ বাবে আমি সকলো পদক্ষেপ গ্ৰহণ কৰিছো।" তেওঁ আৰু কয় যে পূব ভাৰত আৰু উত্তৰ-পূব ভাৰতৰ উত্থান ভৱিষ্যতে অনিবাৰ্য। মুম্বাই, চেন্নাই, হায়দৰাবাদ আৰু বাংগালুৰুৰ দৰে চহৰৰ সমান্তৰালকৈ গুৱাহাটী, শ্বিলং, ইম্ফল, ইটানগৰ আৰু আইজল দেশৰ নতুন উন্নয়নৰ আলোকগৃহ হৈ পৰিব। উত্তৰ-পূব ভাৰতৰ সজীৱ সংস্কৃতি আৰু গতিশীল জনসাধাৰণৰ ওপৰত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এই অঞ্চলটো দেশৰ উন্নয়নৰ ইঞ্জিন হ'ব পাৰে। বিগত দশকত তেওঁৰ চৰকাৰে দিল্লী আৰু উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ মাজৰ দূৰত্ব দূৰ কৰিবলৈ চেষ্টা কৰি আহিছে। যোৱা দশকত কেন্দ্ৰীয় মন্ত্ৰীসকলে ৭০০ৰো অধিক বাৰ উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণ কৰা বুলি উল্লেখ কৰি তেওঁৰ চৰকাৰে উত্তৰ-পূবক আৱেগ, অৰ্থনীতি আৰু পৰিবেশ তিনিটা বিষয়ত সংযোগ স্থাপনৰ বাবে কাম কৰি আছে বুলি উল্লেখ কৰে। উল্লেখ্য যে, ভাৰত মণ্ডপমত আয়োজিত প্ৰথম 'অষ্টলক্ষ্মী মহোৎসৱ' অহা ৬ ডিচেম্বৰৰ পৰা ৮ ডিচেম্বৰলৈ চলিব। এই মহোৎসৱত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, মণিপুৰ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু ছিকিমৰ সৌন্দৰ্য্য, বৈচিত্ৰ্য আৰু সম্ভাৱনাক উজ্জ্বল কৰি তোলা হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৯ হৈছিলগৈ ১! পুনৰীক্ষণৰ পাছত পালে

নিৰীক্ষণত খেলিমেলি কৰাৰ এক ঘটনা পোহৰলৈ আহিছে। প্ৰাপ্ত বাতৰি মতে, কামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰৰ পৰা এই বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ভাৰ্গৱ বৰা নামৰ ছাত্ৰজনে আটাইকেইটা বিষয়তে ৯০ শতাংশ নম্বৰ লাভ কৰিছিল যদিও ৰাজনীতি বিজ্ঞান বিষয়টোত মাত্ৰ ১৬ নম্বৰহে লাভ কৰিছিল। মেধাৱী ভাৰ্গৱ বৰাৰ ৰাজনীতি বিজ্ঞান বিষয়টোত অনাৰ্চ লৈ স্নাতক শাখা অধ্যয়ন কৰাৰ তীব্ৰ হেঁপাহ আছিল যদিও ৰাজনীতি বিজ্ঞানৰ নম্বৰ ১৬ অহাত তেওঁৰ মন ভাগি পৰিছিল। যাৰ বাবে ছাত্ৰজনে ৰাজনীতি বিজ্ঞানৰ পৰিৱৰ্তে অন্য বিষয়ত অনাৰ্চ লৈ নগাঁও মহাবিদ্যালয়ত নাম ভৰ্তি কৰে। ছাত্ৰজনে ৰাজনীতি বিজ্ঞানত ১৬ নম্বৰ লাভ কৰাত তেওঁৰ লগতে শিক্ষাগুৰুসকল হতচকিত হৈ পৰে আৰু তেওঁলোকে বহী পুনৰীক্ষণৰ বাবে সংসদৰ সৈতে যোগাযোগ কৰি আবেদন কৰে। উক্ত আবেদনৰ পাছত ছাত্ৰজনে ডিচেম্বৰ মাহত লাভ কৰা নতুন মাৰ্কশ্বীটত ৰাজনীতি বিজ্ঞান বিষয়টোত ১৬ নম্বৰৰ পৰিৱৰ্তে ৯৬ নম্বৰ আহে। চূড়ান্ত পৰীক্ষাত ১৬ নম্বৰ লাভ কৰা বিষয়টোৰ বহী পুনৰীক্ষণৰ পাছত ৯৬ নম্বৰ অহাত ছাত্ৰজনৰ লগতে অভিভাৱক, গুৰুকুল ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ অধ্যক্ষই অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰিছে। ছাত্ৰজনে কয় যে ৰাজনীতি বিজ্ঞান বিষয়ত অনাৰ্চ লৈ তেওঁ স্নাতক ডিগ্ৰী লোৱাৰ প্ৰবল হেঁপাহ থকা স্বত্বেও সংসদৰ ভুলৰ বাবে উক্ত বিষয়টোৰ পৰা তেওঁ আঁতৰি ৰ'ব লগা হয়। সংসদৰ ভুলৰ বাবে যাতে আন কোনো ছাত্ৰ-ছাত্ৰী পচন্দৰ বিষয়টো অধ্যয়ন কৰাৰ ক্ষেত্ৰত বঞ্চিত হ'বলগীয়া নহয় সেই ক্ষেত্ৰত সংসদক সজাগ হ'বলৈ ছাত্ৰজনে আহ্বান জনাইছে। এই ভুলৰ বাবে কামপুৰৰ বৌদ্ধিক মহলে শিক্ষা সংসদক তীব্ৰ সমালোচনা কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিসম্বাদ! শপতগ্ৰহণৰ পূৰ্বে পদ্মৰ কাষ

আৰম্ভ হৈছে সাংঘাতিক বিসম্বাদ। পদ্ম হাজৰিকাই মন্ত্ৰীত্ব পাব বুলি ভাবি লৈছিল। বিহালীত জয়ী কৰোৱাৰ বাবে পদ্ম হাজৰিকাক আৰু চামগুৰিত জিকোৱাৰ বাবে জিতু গোস্বামীয়ে মন্ত্ৰিত্ব লাভ কৰিব বুলি ভবা হৈছিল। কিন্তু প্ৰথমবাৰ জয়ী হৈ দিছপুৰলৈ অহা বিধায়কক মন্ত্ৰী কৰা হ'ল যদিও পদ্ম হাজৰিকা আৰু জিতু গোস্বামীক বঞ্চিত কৰাত সাংঘাতিক বিসম্বাদ আৰম্ভ হৈছে। খবৰ মতে, সৰ্বানন্দ সোণোৱাল পন্থী নেতা-বিধায়কে শক্তি বৃদ্ধি কৰিবলৈ পদ্ম হাজৰিকাৰ নেতৃত্বত প্ৰস্তুত হৈছে। হিমন্ত বিশ্ব শৰ্মাৰ ফৈদৰ কেবাগৰাকী বিধায়কে ফৈদ সলনি কৰিবলৈ এতিয়া যো-জা চলোৱাৰ খবৰ পোৱা গৈছে। হিমন্ত বিশ্ব শৰ্মা ফৈদৰ বিধায়ক বিশ্বজিৎ ফুকনকে ধৰি কেইবাজনো বিধায়কে ফৈদ সলনি কৰিবলৈ সাজু হৈছে। আনহাতে, ২০২৬ চনৰ নিৰ্বাচনত সমষ্টি হেৰুৱাৰ আশংকাত সময় পাৰ কৰিছে বিজেপিৰ কেবাজনো বিধায়কে। সমষ্টি হেৰুওৱাৰ আশংকাত দিন পাৰ কৰা বিধায়কসকলে সৰ্বাক শক্তিশালী কৰি ২০২৬ চনত টিকট লাভৰ অংক কৰি গৈছে। তাৰ মাজতে বিসম্বাদৰ উকমুকনি আৰম্ভ হোৱাৰ উমান পায় শোণিতপুৰ জিলাৰ চতিয়াৰ কন্যাকা পাইছে ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা। আজি হঠাতে চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ কন্যাকাত উপস্থিত হোৱাত বহু কথাৰে উমান পোৱা গৈছে। মন্ত্ৰীসভাত স্থান লাভ কৰিবলগীয়া চাৰি বিজেপি বিধায়কৰ নাম ঘোষণাৰ পিছতে আজি কন্যাকা নামৰ প্ৰতিষ্ঠানখনলৈ লৰ দিয়ে ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা। ভৱেশ কলিতাই বিসম্বাদ মৰিষণৰ বাবে পদ্ম হাজৰিকাক লগ ধৰাৰ চৰ্চা চলিছে। জ্যেষ্ঠতাৰ ভিত্তিত মন্ত্ৰিত্ব পাব লাগিছিল যদিও মাথো প্ৰথমবাৰ বিধায়ক হোৱা বিধায়কে মন্ত্ৰীসভাত স্থান লাভত নাৰাজ পদ্মক মনোৱাত ব্যস্ত হৈছে ভৰেশ কলিতা। ১৯৯৬ চনৰ পৰা একেলেথাৰিয়ে বিধায়ক হৈ অহা পদ্ম হাজৰিকা পূৰ্বৰ দল অসম গণ পৰিষদৰ চৰকাৰত প্ৰভাৱশালী মন্ত্ৰী আছিল। তাৰ পিছতে ২০১৬ চনত বিজেপিত যোগদান কৰিছিল যদিও বিজেপিত প্ৰভাৱ শূন্য হৈ পৰে। ২০১৬ চনত আৰু ২০২১ চনত বিজেপিয়ে দিছপুৰত দুবৰাকৈ চৰকাৰ গঠন কৰিলে যদিও জ্যেষ্ঠতাৰ ভিত্তিত বিজেপিত সকলোতকৈ জ্যেষ্ঠ বিধায়ক পদ্ম হাজৰিকাই মন্ত্ৰিত্ব নাপালে। কিন্তু কংগ্ৰেছৰ পৰা বিজেপিলৈ অহা কনিষ্ঠ বিধায়কে দুই-তিনিটা বিভাগ লৈ দপদপাই আছে। কিন্তু দুবাৰকৈ চৰকাৰ গঠনৰ পিছতো বিজেপিয়ে পদ্ম হাজৰিকাক মন্ত্ৰিত্ব নিদিলে। এইবাৰো তেনেই হ'ল। প্ৰথমবাৰ বিধায়ক নিৰ্বাচিত লক্ষীপুৰৰ বিধায়ক কৌশিক ৰায়ক বিধায়ক কৰা হ'ল। দ্বিতীয়বাৰ বিধায়ক নিৰ্বাচিত পাথাৰকান্দিৰ বিধায়ক কৃষ্ণেন্দু পালক মন্ত্ৰী কৰা হ'ল। ডুমডুমাৰ পৰা প্ৰথমবাৰ বিধায়ক নিৰ্বাচিত ৰূপেশ গোৱালাক মন্ত্ৰী কৰা হ'ল। কিন্তু পদ্ম হাজৰিকা, সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ দৰে জ্যেষ্ঠনেতাক মন্ত্ৰীসভাত স্থান দিয়া নহ'ল। তিনি নৱাগত বিধায়কক মন্ত্ৰী কৰাত ক্ষোভৰ জুই উমি উমি জ্বলি থকা বুলি জানিব পৰা গৈছে। বিশেষকৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পদ্ম হাজৰিকাক মন্ত্ৰিত্ব নিদি বঞ্চিত কৰা বুলি অনুভৱ কৰি কেবাজনো ঘনিষ্ঠ বিজেপি নেতাক মনৰ কথা কোৱা বুলি এটা সূত্ৰই দাবী কৰিছে। সূত্ৰটোৱে কয় যে মন্ত্ৰীসভা সম্প্ৰসাৰণ হোৱাৰ চৰ্চা আৰম্ভ হোৱাত পদ্ম হাদৰিকাই মন্ত্ৰিত্ব লাভ কৰিব বুলি খাটাং হৈ আছিল। কিন্তু মন্ত্ৰিত্বৰ তালিকাত নাম নেদেখি ক্ষোভে, অপমানে আছে যদিও মুখ খুলিব খোজা নাই হাজৰিকাই। আজি ৰাজ্যিক বিজেপিৰ সভাপতি কন্যাকাত উপস্থিত হোৱাত পদ্ম হাজৰিকাক মনাবলৈ উপস্থিত হোৱা বুলি চৰ্চা চলিছে। কন্যাকা- বৰ্তমান সময়ত অসমৰ এক পৰিচিত নাম। শোণিতপুৰ জিলাৰ কন্যাকা বহুমুখী পামৰ লগতে থলুৱা খাদ্য সম্ভাৰ তথা দুগ্ধৰে প্ৰস্তুত বিভিন্ন মিঠাই আৰু অন্যান্য খাদ্য সামগ্ৰীৰে কন্যাকা ৰেষ্টুৰেণ্টখন এতিয়া সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। জামুগুৰিহাটৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে থকা বিপণীখনত বিভিন্ন দুগ্ধজাত মিঠাইৰ লগতে ফাষ্ট ফুড বিক্ৰী কৰাৰ ব্যৱস্থা কৰিছে। ইয়াত ৰাষ্ট্ৰীয় ঘাইপথৰে অহা-যোৱা কৰা যাত্ৰীসকলক জিৰণি লোৱাৰ সুবিধা প্ৰদান কৰাৰ লগতে চাহ-জলপানৰো ব্যৱস্থা কৰিছে। বিজেপিৰ অফিচিয়েল ফেচবুক পেজত ফটো শ্বেয়াৰ কৰি কলিতাই এক দলীয় কাৰ্যসূচীৰ বাবে শোণিতপুৰ জিলাৰ পৰা গুৱাহাটী অভিমুখে উভতি অহাৰ পথত কন্যাকাৰ স্বত্বাধিকাৰ তথা স্থানীয় বিধায়ক পদ্ম হাজৰিকাক সাক্ষাৎ কৰা বুলি উল্লেখ কৰিছে। কিন্তু ভৰেশ কলিতাই পদ্ম হাজৰিকাক লগ ধৰাৰ সময়খিনি চিন্তনীয়। কিয়নো কাইলৈ তিনি নৱাগত বিধায়কসহ চাৰি বিধায়কে মন্ত্ৰীৰূপে শপত ল'ব। জ্যেষ্ঠ হৈও মন্ত্ৰিত্ব নোপোৱা পদ্ম হাজৰিকাই এই কথাক সহজে লৈছে নে?

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লীত ভোটাৰ তালিকাৰ অনিয়মৰ

উত্থাপন কৰিছে আম আদমী পাৰ্টিয়ে। দলৰ মুৰব্বী তথা প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে পোনপটীয়া অভিযোগ উত্থাপন কৰিছে যে বিজেপিৰ ষড়যন্ত্ৰৰ বাবে হাজাৰ হাজাৰ প্ৰকৃত ভোটাৰৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিয়া হৈছে। শুকুৰবাৰে এখন সংবাদমেল সম্বোধন কৰি কেজৰিৱালে কয়, "শ্বাহদাৰা, জনকপুৰী, লক্ষ্মী নগৰ আৰু অন্যান্য বিধানসভা সমষ্টিত বিজেপিয়ে নিৰ্বাচন আয়োগক ভোটাৰ তালিকা শুধৰণিৰ নামত প্ৰকৃত ভোটাৰৰ নাম বাদ দিবলৈ আবেদন জনাইছে।" তেওঁ লগতে দাবী কৰে যে বিজেপিয়ে শ্বাহদাৰা অঞ্চলৰ ১১,০১৮ জন ভোটাৰৰ নাম বিলোপ কৰাৰ বাবে আবেদন কৰিছিল, যাৰ ভিতৰত আপে ৫০০ টা নাম পৰীক্ষা কৰিছে। সেই তালিকাৰ ৭৫ শতাংশ ভোটাৰ এতিয়াও সেই অঞ্চলতে বাস কৰে। তাৰ পিছতো তেওঁলোকৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিয়াৰ প্ৰক্ৰিয়া চলোৱা হৈছে বুলি অভিযোগ কৰে কেজৰিৱালে। উল্লেখ্য যে, ২০২০ৰ বিধানসভা নিৰ্বাচনত শ্বাহদাৰাৰ পৰা আপৰ প্ৰাৰ্থীগৰাকীয়ে মাত্ৰ ৫ হাজাৰ ভোটৰ ব্যৱধানত জয়লাভ কৰিছিল। কেজৰিৱালে অভিযোগ কৰে যে বিজেপিয়ে ইচ্ছাকৃতভাৱে ১১ হাজাৰৰো অধিক ভোটাৰৰ নাম বাদ দি এই আসনখন দখল কৰিবলৈ চেষ্টা কৰিছে। এই প্ৰক্ৰিয়াৰ স্বচ্ছতা নিশ্চিত কৰিবলৈ তেওঁ নিৰ্বাচন আয়োগক আনুষংগিক সকলো আৱেদন অনলাইনত প্ৰকাশ কৰিবলৈ আহ্বান জনায়। মন কৰিবলগীয়া যে, অহা বছৰৰ ফেব্ৰুৱাৰী মাহত দিল্লী বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা। ডিচেম্বৰৰ শেষৰ ফালে নিৰ্বাচনৰ সময়সূচী ঘোষণা হ'ব পাৰে বুলি ধাৰণা কৰা হৈছে। ইতিমধ্যে কেজৰিৱালে ১১ গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। লক্ষণীয় যে, ইয়াৰে ৬ গৰাকী অন্য দলৰ পৰা আহি আপত যোগদান কৰা প্ৰত্যাশী। ২০২০ৰ বিধানসভা নিৰ্বাচনত দিল্লীৰ ৭০খন আসনৰ ভিতৰত ৬২খন আসনত আপে জয়লাভ কৰিছিল। আনহাতে বিজেপিয়ে মাত্ৰ ৮খন আসনহে লাভ কৰিছিল সেই নিৰ্বাচন। অৱশ্যে লোকসভা নিৰ্বাচনত দিল্লীৰ ৭খন আসনতে বিজেপিয়ে জয়লাভ কৰে। এইবাৰ কেজৰিৱালে কংগ্ৰেছৰ সৈতে কোনো আপোচ নকৰাকৈয়ে একক শক্তিৰে দিল্লী বিধানসভা নিৰ্বাচনত যুঁজ দিব বুলি মন্তব্য কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অচিনাক্ত মৃতদেহ উদ্ধাৰ জালুকবাৰীত

অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জালুকবাৰী আৰক্ষী চকীৰ পৰা কিছু নিলগত অচিনাক্ত মৃতদেহটো উদ্ধাৰ হয়। মৃতদেহটো উদ্ধাৰ কৰি আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰা বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে ঘটনাক লৈ অনুসন্ধান অব্যাহত ৰাখিছে যদিও এই পৰ্যন্ত লোকজনৰ পৰিচয় উদ্ধাৰ কৰিব পৰা নাই। আনহাতে, লোকজনক হত্যা কৰা হৈছে নে অন্য কোনো কাৰণত মৃত্যু হৈছে সেই কথাও এই পৰ্যন্ত আৰক্ষী নিশ্চিত হ'ব পৰা নাই। জানিব পৰা মতে, যোৱা নিশাৰে পৰা এলেকাটোত দুৰ্গন্ধ ওলাই আছিল। অনুসন্ধান চলোৱাত মৃতদেহটো প্ৰত্যক্ষ কৰা হয়। পচি যোৱাত মৃতদেহটোৰ চিনাক্তকৰণ কৰিব নাই আৰক্ষীয়ে। মৰণোত্তৰ পৰীক্ষাৰ অন্তত অনুসন্ধান কৰিলেহে পৰিচয় জানিব পৰা যাব বুলি কয় আৰক্ষীয়ে। আৰক্ষীয়ে কয় যে হয়তো ফুটপাথত বাস কৰা গৃহহীন লোকো হ'ব পাৰে। কেতিয়াবা এনেদৰে মৃতদেহ উদ্ধাৰ হয়। মৃতদেহ তেনে লোকৰ হ'ব পাৰে যদিও ঘটনাক লৈ অনুসন্ধান অব্যাহত আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদীক সাক্ষাৎ মণিপুৰৰ বিৰোধী নেতা-

এবাৰলৈও ভৰি দিয়া নাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে! 'ফোনতেই ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধ স্থগিত ৰখা' প্ৰধানমন্ত্ৰী মোদীয়ে বিগত ডেৰ বছৰ ধৰি অশান্ত মণিপুৰলৈ শান্তি ঘূৰাই অনাত ব্যৰ্থ হোৱাৰ অভিযোগ কৰি আহিছে বিৰোধী আৰু মণিপুৰৰ জনতাইও। এনে পৰিপ্ৰেক্ষিততে এতিয়া উত্তৰ-পূৰৰ ৰাজ্যখনলৈ স্বাভাৱিক পৰিস্থিতি ঘূৰাই অনাত মোদীক সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে মণিপুৰৰ বিৰোধী ইণ্ডিয়া ব্লকে। একে সময়তে প্ৰধানমন্ত্ৰীক এখন স্মাৰক পত্ৰ প্ৰদান কৰি চলিত বৰ্ষটো অন্ত পৰাৰ পূৰ্বেই তেওঁক মণিপুৰ ভ্ৰমণ কৰিবলৈও আহ্বান জনাইছে বিৰোধীয়ে। ইণ্ডিয়া ব্লকৰ আহ্বায়ক খাছ শান্তা সিং আৰু মণিপুৰ কংগ্ৰেছৰ সভাপতি কেইশম মেঘচন্দ্ৰ সিঙৰ নেতৃত্বত দলটোৱে প্ৰধানমন্ত্ৰীক অৱগত কৰে যে ৰাজ্যবাসীয়ে ২০২৩ চনৰ ৩ মে'ৰ পৰা তেওঁৰ ভ্ৰমণৰ বাবে অপেক্ষা কৰি আছে, যাতে তেওঁ প্ৰত্যক্ষভাৱে তেওঁলোকৰ উদ্বেগ আৰু অসহায়তা প্ৰকাশ কৰিব পাৰে। স্মাৰকপত্ৰখনত উল্লেখ কৰা হৈছে যে, "ৰাজ্যৰ অশান্তিৰ ফলত প্ৰায় এক লাখ লোক গৃহহাৰা হৈছে। শ শ লোকে প্ৰাণ হেৰুৱাইছে। এই হিংসাই ৰাজ্যবাসীৰ মাজত ভয়, যন্ত্ৰণা আৰু হতাশাৰ সৃষ্টি কৰিছে, যিটো এতিয়া চৰম পৰ্যায়ত উপনীত হৈছে।" স্মাৰকপত্ৰখনত আৰু কোৱা হৈছে যে চলি থকা হিংসাই ৰাজ্যখনৰ সংকট আৰু অধিক ভয়াৱহ কৰি তুলিছে। এনে পৰিস্থিতিত শান্তি পুনৰুদ্ধাৰ আৰু স্বাভাৱিক অৱস্থা ঘূৰাই অনাৰ বাবে প্ৰধানমন্ত্ৰীৰ প্ৰত্যক্ষ হস্তক্ষেপ অতি প্ৰয়োজনীয়। মণিপুৰবাসীৰ আশা প্ৰধানমন্ত্ৰীয়ে তেওঁৰ উপস্থিতি আৰু কৰ্মৰ জৰিয়তে নতুন আশাৰ সঞ্চাৰ কৰিব। ইফালে ইণ্ডিয়া ব্লকৰ এই স্মাৰক পত্ৰত ৰাজ্যৰ সমস্যা সমাধানৰ বাবে তিনিটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱো উল্লেখ কৰা হয়। তেওঁলোকে ২০২৪ চনৰ শেষৰ পূৰ্বে প্ৰধানমন্ত্ৰী মণিপুৰ ভ্ৰমণ কৰিবলৈ দাবী জনায়। যদি এয়া সম্ভৱ নহয় তেন্তে দিল্লীস্থিত তেওঁৰ বাসগৃহত মণিপুৰৰ সকলো ৰাজনৈতিক দলৰ সৈতে আলোচনা সভা অনুষ্ঠিত কৰিব লাগে। ইয়াৰ উপৰিও ৰাজ্যৰ সংকটৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীৰ প্ৰত্যক্ষ আৰু সক্ৰিয় অংশগ্ৰহণৰ কথাও অতি গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰা হয় স্মাৰকপত্ৰত। স্মাৰকপত্ৰখনত উল্লেখ কৰা হৈছে যে, "আপোনাৰ মাননীয় ভ্ৰমণে হয়তো মণিপুৰৰ বাবে এক নতুন আৰম্ভণি কঢ়িয়াই আনিব। ৰাজ্যৰ জনসাধাৰণে আপোনাক নিজৰ মাটিত আদৰিবলৈ আগ্ৰহেৰে অপেক্ষা কৰি আছে। আপোনাৰ সক্ৰিয় ভূমিকা মণিপুৰত শান্তি আৰু স্বাভাৱিকতা ঘূৰাই অনাৰ মূল চাবিকাঠি হ'ব।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যসভাত টকাৰ বাণ্ডিল

দিয়ে। ৰাজ্যসভাৰ অধ্যক্ষ তথা উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে সাংসদসকলৰ আগত কয় যে কালিৰ অধিৱেশন স্থগিত ৰখাৰ পাছত এই নগদ ধন নিৰাপত্তাৰক্ষীয়ে এণ্টি-চাবোটেজ চেকিঙৰ সময়ত উদ্ধাৰ কৰে। ধনখড়ে কয় যে এই ধন ২২২ নম্বৰ আসনৰ পৰা উদ্ধাৰ কৰা হৈছে, যিখন আসন বৰ্তমান তেলেংগানাক প্ৰতিনিধিত্ব কৰা অভিষেক মনু সিংভীক আবণ্টন দিয়া হৈছে। লগতে এই বিষয়ত তদন্ত চলি থকা বুলিও জানিবলৈ দিয়ে ৰাজ্যসভাৰ অধ্যক্ষগৰাকীয়ে। ইফালে সমগ্ৰ ঘটনা সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেয়ে কয় যে এই ঘটনাৰ তদন্তত তেওঁৰ কোনো আপত্তি নাই। একে সময়তে তদন্তৰ সময়ত কোনো সাংসদৰ নাম প্ৰকাশ কৰা উচিত নাছিল বুলিও মন্তব্য কৰে খাৰ্গেয়ে। অভিষেক মনু সিংভীয়ে এই ঘটনাত আশ্চৰ্য প্ৰকাশ কৰি কয় যে তেওঁ ৰাজ্যসভালৈ গ'লে সৰ্বাধিক ৫০০ টকাহে লগত লৈ যায়। ছ'চিয়েল মিডিয়াত এটা পোষ্টত সিংভীয়ে কয়, "এয়া প্ৰথমবাৰৰ বাবে শুনিবলৈ পাইছো। এনে কথা আগতে কেতিয়াও শুনা নাই। লগত ৫০০ টকীয়া এখন নোট লৈ ৰাজ্যসভালৈ গৈছিলো। কালি দুপৰীয়া ১২:৫৭ বজাত ৰাজ্যসভাত প্ৰৱেশ কৰাৰ এক মিনিটৰ পিছতে অধিৱেশন শেষ হ'ল। তাৰ পিছত ১:৩০ বজালৈকে কেণ্টিনতে আছিলো আৰু পিছত সংসদৰ পৰা ওলাই আহিছিলো।" সিংভীয়ে লগতে কয়, "ইয়াৰ নিশ্চয় তদন্ত হ'ব লাগে। যদি কোনোবাই যিকোনো আসনত যিকোনো বস্তু এৰিব পাৰে, তেন্তে প্ৰতিজন সাংসদৰ বাবে লকাৰ সদৃশ আসন থাকিব লাগে, যাৰ চাবি সাংসদৰ লগত থাকিব। কাৰণ তেনেকুৱা হ'লে যিকোনো ব্যক্তিৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা সম্ভৱ হ'ব।" এই ঘটনাই চৰকাৰ আৰু বিৰোধী শিবিৰ দুয়োটাতে উত্তেজনাৰ সৃষ্টি কৰিছে। বিজেপিৰ অধ্যক্ষ জে পি নাড্ডাই এই ঘটনাক ৰাজ্যসভাৰ বদনাম বুলি অভিহিত কৰে। বিজেপিৰ সদস্য সুধাংশু ত্ৰিবেদীয়ে কয়, "কোনোবাই আহি এই ধন দাবী কৰিব বুলি অধ্যক্ষই অপেক্ষা কৰি আছিল। কিন্তু যেতিয়া কোনেও নকৰিলে, তেতিয়া সভাত বিষয়টো উত্থাপন হ'ল।" দুৰ্নীতিৰ অভিযোগত জুৰুলা কৰা দলসমূহৰ হাতত ইমানেই ধন আছে যে তেওঁলোকে ক'লৈ যায় সেই কথা চিন্তা নকৰে বুলিও তেওঁ ইতিকিং কৰি কয়। এই ঘটনাই তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে। এতিয়া তদন্ত কেনেদৰে আগবাঢ়িব আৰু ইয়াৰ আঁৰৰ প্ৰকৃত সত্য প্ৰকাশ হ'ব নে নহয় সেয়া লক্ষণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰকিবুলক পুনৰ আক্ৰমণ হিমন্তৰ

পুনৰ তীব্ৰ আক্ৰমণ কৰিছে। চামগুৰি সমষ্টিত ২৫ বছৰে গো-মাংস বিতৰণ কৰি জিকি থকাৰ অভিযোগ আনি মুখ্যমন্ত্ৰীয়ে কয় যে চামগুৰিত মুছলমান মানুহে গৰুৰ মাংস খালে বুলি কৈছে ৰকিবুল হুছেইনে। মই তাত গৈ কেনেকৈ ইনকুৱেৰি কৰো। সেইটো তেওঁৰ সমষ্টি। ইমান দিনে যদি চামগুৰিৰ মুছলমানে গৰু মাংস খোৱা নাছিল আৰু এইবাৰ প্ৰথমবাৰ খাইছে তেন্তে সেই তথ্য তেওঁহে জানিব। আজি নতুন দিল্লীত এই ভাষ্য দিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ৰাজ্যত গো-মাংস নিষিদ্ধ কৰাত ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টিৰ মাজতে পুনৰ ৰকিবুল হুছেইনক আক্ৰমণৰ লক্ষ্য কৰি লয় মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে স্পষ্টীকৰণ দি কয় যে অসমৰ ইছলামধৰ্মী মানুহে গো-মাংস খাই, তাত নতুনত্ব একো নাই। এতিয়া আমি কৈছো ৰাজহুৱা স্থানত নাখাব। হোটেল-ৰেষ্টুৰেণ্টত নাখাব। ৰকিবুল হুছেইনে ২৫ বছৰে সমষ্টিটোত জিকিছে। তেওঁৰ দেউতাকো জিকিলে। তাৰ মানে তেওঁলোকে ইমান দিন গো-মাংস বিলাই জিকিছে? এতিয়া মই দোকানখন বন্ধ কৰি দিলো। ভৱিষ্যতে কোনেও দিব নোৱাৰিব। ৰকিবুল হুছেইনে এটা বিশেষ ফাইল পোৰা বুলি সামাজিক মাধ্যমত দাবী কৰাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অখিল গগৈৰ ভূত ৰকিবুল হুছেইনৰ গাত লাগিল। অখিল গগৈয়ে ফাইল লৈছিল। অখিল গগৈয়ে ২০০৮ চনৰ পৰা ২০১০ চনলৈ প্ৰতিদিনেই ফাইল দেখুৱাই আৰু অসমৰ সংবাদ মাধ্যমে ডাঙৰ ডাঙৰ নিউজ কৰিছিল। এতিয়াও আপোনালোকে নিউজ কৰাৰ মছলা পাইছে, কৰে যদি কৰক। ইপিনে মুখ্যমন্ত্ৰীয়ে সঞ্জয় কিষাণৰ মন্ত্ৰিত্ব কৰ্তনক লৈ কয় যে সঞ্জয় কিষাণে দলৰ হৈ কাম কৰি যাব, দলে গুৰুত্ব দিব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজীৱ ভৱনত নতুন ঘড়ী!

দিছে। নতুন দিল্লীৰ ১০ নং জনপথত বিৰোধী দলপতি ৰাহুল গান্ধীক সাক্ষাতৰ পিছতে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই আজি এইদৰে কয়। অসমৰ সাম্প্ৰতিক ৰাজনৈতিক পৰিস্থিতি, অৰ্থনৈতিক বিষয়সমূহ, বিভিন্ন জাতি-জনগোষ্ঠীৰ সমস্যা আদিৰ বিষয়ে নিখিল ভাৰত কংগ্ৰেছৰ নেতা তথা বিৰোধী দলপতি ৰাহুল গান্ধীৰ সৈতে আলোচনাত মিলিত হয় প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকী। আলোচনাৰ অন্তত ২০২৬ চনত চৰকাৰ গঠন কৰিলে অসমত চৰকাৰ গঠন কৰিলে অসমৰ বিভিন্ন জাতীয় সমস্যা কেনেদৰে সমাধান কৰিব পৰা যায় সেই সন্দৰ্ভত কৰ্মসূচী প্ৰস্তুতৰ বাবে আঁচনি গ্ৰহণ কৰাক লৈ আলোচনা কৰা হ'ব। বৰাই কয় 'বিৰোধী ঐক্যক একেলগে লৈ যিখন চৰকাৰ ২০২৬ চনত গঠন কৰা হ'ব সেই চৰকাৰ গঠনৰ ১০০ দিনৰ ভিতৰত দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰত লিপ্ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে তদন্ত কৰা হ'ব আৰু বিশেষ তদন্ত সমিতি (এছআইটি) গঠন কৰি ৰাজহুৱা সম্পত্তি লুণ্ঠন কৰা হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ পৰিয়ালৰ বিৰুদ্ধে প্ৰতিবেদন প্ৰস্তুত কৰা হ'ব আৰু ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ভূপেন কুমাৰ বৰাই ৰাহুল গান্ধীৰ সৈতে কথা পতাৰ সময়ত ২০২৬ চনত জয়ী হ'বলৈ কোৰা বুলি কয়। তেওঁ কয়, "ৰাহুল গান্ধীৰ সৈতে মিত্ৰতা সন্দৰ্ভত কথা পতা হৈছে। বিজেপি বিৰোধী সকলো দল-সংগঠন, ব্যক্তিক লগত লৈ চলিব বিচাৰো বুলি কোৱাত ৰাহুল গান্ধীয়ে সন্মতি দিছে। আজি মিত্ৰতাৰ কথাটো কওতে ৰাহুল গান্ধীয়ে বিজেপি বিৰোধী দলসমূহক লৈ মিত্ৰতা কৰিবলৈ অনুমতি প্ৰদান কৰিছে। উপ-নিৰ্বাচন আৰু পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভতো অৱগত কৰা হৈছে।" ৰাজহুৱা স্থানত গোমাংস বিক্ৰীত ৰাজ্য চৰকাৰে নিষেধাজ্ঞা আৰোপ কৰাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ভূপেন বৰাই চাওলুং চ্যুকাফা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে কেতিয়াও কাৰোৰে সংস্কৃতি, ৰীতি-নীতিত হাত দিয়া নাছিল বুলি কয়। অসমৰ সৰ্বকালৰ শক্তিশালী নেতাজন হৈছে চাওলুং চ্যুকাফা। তেওঁ ইমান শক্তিশালী হোৱাৰ পিছতো কাৰোৰে খাদ্যাভ্যাসত হাত দিয়া নাছিল। সমগ্ৰ অসমীয়া জাতিসত্তাৰ গুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে কিৰাট, কছাৰী, গাৰো, খাচী, মিৰি, যৱন, কংক, গোৱালা বুলি কৈ থৈ গৈছে। সকলোকে লৈ বৃহত্তৰ অসমীয়া সমাজৰ ভেটি নিৰ্মাণৰ কথা কৈছে। তেওঁ কেতিয়াও এনেকুৱা কথা কোৱা নাই যে আনৰ ধৰ্মত, আনৰ পৰম্পৰা, ৰীতি-নীতি, আচাৰ ব্যৱহাৰ, সাজ-পোছাক, খাদ্যত আমি হস্তক্ষেপ কৰিব লাগে বুলি। অসম আৰু অসমীয়া জাতিয়ে শংকৰদেৱৰ আৰু চ্যুকাফাই দেখুৱাই যোৱা পথত চলিব। হিমন্ত বিশ্ব শৰ্মাই ক্ষমতাৰ বলত বলীয়ান হৈ অতপালি কৰি আহিছে, সেই সকলোবোৰৰ কেইদিনমান পাছত কাউণ্টডাউন আৰম্ভ হ'ব। এতিয়া হয়তো ৫০০ দিনতকৈ কম দিন বাকী আছে। আমি কাউণ্টডাউনৰ ঘড়ী ৰাজীৱ ভৱনত লগাম। হিমন্তৰ পতন হ'বলৈ বেছি দিন নাই। চামগুৰিত গো-মাংসেৰে ভোজ দি বিজেপি যেতিয়া উলংগ হৈ গ'লে তাৰ বাবে এনে সিদ্ধান্ত লোৱা বুলি কয় বৰাই। তেওঁ কয় যে ক্ষমতাৰ বলত বলীয়ান হৈ বিজেপিয়ে চামগুৰিত বিজেপি, আৰএছএছৰ আদৰ্শক ভৰিৰে মোহাৰি যি যি কৰিলে তাৰ বাবে আৰএছএছৰ পৰা ধমকি খাইছে। বিজেপিৰ কেন্দ্ৰীয় নেতাৰ পৰা ধমকি খাইছে। দুই কুল হেৰুৱাবলৈ গৈ আছে। ইপিনে ভূপেন বৰাই কৌশলগত কাৰণত উপ-নিৰ্বাচনত বিচৰা অনুসৰি ফলাফল লাভ নকৰা বুলি প্ৰকাশ কৰি সেই একেই কৌশলগত ভুল ২০২৬ চনত নকৰো বুলি, শুদ্ধভাৱে ৰাজনৈতিক পৰিকল্পনাৰে শক্তিশালীভাৱে যুঁজ দিয়া হ'ব বুলি সদৰী কৰে। অসমৰ ৰাইজৰ মূল সমস্যা চাৰ শ্ৰমিকৰ মজুৰি বৃদ্ধি, নিবনুৱা সমস্যাৰ কথা, দেশৰ ভিতৰতে আটাইতকৈ দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰীজনে মাজে মাজে কেৰাণী-মহৰীক গ্ৰেপ্তাৰ কৰি নিজে লুট-পাতেৰে এখন স্বৰ্গ তৈয়াৰ কৰি বুলিও কয়। মুখ্যমন্ত্ৰীগৰাকীৰ এনে অবাধ লুণ্ঠনৰ বিৰুদ্ধে এখন এছআইটি গঠন কৰি কেনেকৈ তেওঁক ৰাইজৰ কাঠগড়ালৈ আনিবলৈ অসমৰ ৰাইজে বেছিদিন অপেক্ষা কৰিব নালাগে বুলিও কয় বৰাই। তেওঁ কয়, "মই ৰাহুল গান্ধীৰ সৈতে এছআইটি গঠন সম্পৰ্কতো কথা পাতিছো। দেশৰ ভিতৰত আটাইতকৈ দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। ২০২৫চনত ৰাহুল গান্ধী অসমলৈ গৈ ঘোষণা কৰিব যে আমাৰ চৰকাৰ গঠনৰ এশ দিনৰ ভিতৰত এছআইটি গঠন কৰি হিমন্ত বিশ্ব শৰ্মাৰ দুৰ্নীতি, ভ্ৰষ্টাচাৰ আৰু চিণ্ডিকেটৰাজৰ তদন্ত কৰা হ'ব আৰু শাস্তি বিহি লুট-পাতৰ টকা ৰাজকোষলৈ পুনৰ ঘূৰাই অনা হ'ব।" লগতে ভূপেন কুমাৰ বৰাই ৰাইজৰ দল, অসম জাতীয় পৰিষদ আৰু বামপন্থী দলসমূহৰ সৈতে মিত্ৰতা সন্দৰ্ভত কয়, "মই প্ৰথমৰ পৰাই মিত্ৰতাৰ পক্ষে আছিলো আৰু আছো। অসম সন্মিলিত মঞ্চৰ জন্মদাতা হিচাপে আগভাগ লৈছিলো। উপ-নিৰ্বাচনৰ খাম-খেয়ালিক লৈ যেতিয়া সভাপতি পদ এৰিছিলো তেতিয়া মই কৈছিলো যে এয়া সাময়িক। উপ-নিৰ্বাচনত অসমৰ ৰাইজৰ স্বাৰ্থ জড়িত যিটো বিষয়, অসমৰ ৰাইজে বিচাৰিছে বিজেপিৰ দৰে সাম্প্ৰদায়িক, ফেঁচিবাদী শক্তিক পৰাজিত কৰিবৰ কাৰণে, সেইটোত আমি আপোচ কৰিব নোৱাৰো। সেই আপোচবিহীন যুঁজখন আগুৱাই নিবলৈ বিজেপি বিৰোধী কেৱল ৰাজনৈতিক দলেই নহয়, বিভিন্ন সংগঠন, ব্যক্তি, সংবাদমাধ্যমৰ লোক একত্ৰিত হোৱাটো বিচাৰিছো। অসমৰ মিত্ৰতাক লৈ ৰাহুল গান্ধীৰ সৈতে আলোচনা কৰা হয়। ৰাহুল গান্ধীয়ে অসমত বিজেপি বিৰোধী শক্তিসমূহক একত্ৰিত হোৱাতো বিচাৰিছে।" পঞ্চায়ত আৰু বিটিআৰ নিৰ্বাচনৰ ক্ষেত্ৰত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বৰাই কয় যে জিলা সমিতিসমূহক কৰ্তৃত্ব দিয়া হ'ব। গুৱাহাটীত বহি মিত্ৰতা কৰাটো সম্ভৱ নহয়। গুৱাহাটীত বহি হাজাৰ হাজাৰ আসন সম্পৰ্কত এলায়েন্সৰ কথা পতা সম্ভৱ নহয়। বিটিআৰতো বিজেপি বিৰোধী শক্তিৰ সৈতে হাত মিলাবলৈ কংগ্ৰেছ সাজু বুলিও জানিবলৈ দিয়ে প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰপেটা সত্ৰত টিনপাত কেলেংকাৰী

কীৰ্তনঘৰত দুৰ্বল টিনপাত লগাই ১ কোটি টকা লুণ্ঠন কৰা হৈছে। ইতিমধ্যে সত্ৰৰ টকা লুণ্ঠন কৰা বুলি অভিযোগ দাখিল কৰা হৈছে অসম চৰকাৰৰ মুখ্যমন্ত্ৰীৰ তদাৰকী কোষক। খোদ বৰপেটা সত্ৰ পৰিচালনা সমিতিৰ সম্পাদকে গুৱাহাটীত চিএম ভিজিলেন্সক পত্ৰ প্ৰদান কৰিছে। বৃহৎ অনুষ্ঠানটোত সংঘটিত দুৰ্নীতিক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ মাজতে বৰপেটা সত্ৰৰ কীৰ্তনঘৰৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে চৰকাৰে মুকলি কৰি দিয়া ধন চৰকাৰী অভিযন্তা, বিষয়া আৰু একাংশ সমাজকৰ্মীয়ে লুণ্ঠন চলোৱাৰ অভিযোগ উত্থাপন কৰিছে বুঢ়াসত্ৰীয়া ডঃ বাবুল চন্দ্ৰ দাসে। প্ৰায় ১ কোটি টকাৰ কেলেংকাৰি সংঘটিত হোৱাৰ অভিযোগত শুকুৰবাৰে বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া ডঃ বাবুল চন্দ্ৰ দাসে সংবাদমেল সম্বোধন কৰি গড়কাপ্তানি বিভাগ আৰু প্ৰশাসনে গঠন কৰি দিয়া সমিতিক লৈ গুৰুতৰ অভিযোগ আনিছে। তেওঁ টিনপাত লগোৱাৰ নামত বৃহৎ কেলেংকাৰি সংঘটিত হোৱাৰ লগতে ১ কোটি টকা ব্যয় কৰি লগোৱা টিনপাত ছমাহ নৌহওতেই মামৰে ধৰা বুলি অভিযোগ আনিছে। তেওঁ লগতে বৰপেটা সত্ৰৰ কীৰ্তনঘৰত ১ কোটি টকাৰ টিনপাত লগাবলৈ গঠন কৰা সমিতিৰ বৈধতাক লৈও সন্দেহ প্ৰকাশ কৰিছে। ডঃ বাবুল চন্দ্ৰ দাসে কয় যে ১ কোটি টকা লাভৰ পাছতে কাম কৰাৰ ব্যৱস্থা কৰা হ'ল। সেই সময়ত সমূহীয়া সভা দিব লাগিছিল। সমূহীয়া সভাত প্ৰস্তাৱ গৃহীত কৰি টিনপাত লগাব লাগিছিল। কিন্তু সেয়া নহ'ল। দৌৰা-দৌৰিকৈ কাম কৰা হ'ল। তিনিমাহ হোৱাই নাই, টিনপাতত মামৰে ধৰিলে। এতিয়া প্ৰশ্ন হৈছে মূল নামঘৰৰ যিখিন টিনপাত লগাইছে সেইখিনি টিনপাতত ভৱিষ্যতে মামৰ নালাগিব নেকি? টিনপাত পোনে পোনে কোম্পানীৰ পৰা অনাৰ কথা আছিল। কিন্তু কোম্পানীৰ পোৰা অনাৰ পৰিৰ্বতে অন্য ডিলাৰৰ সহায় লৈছিল। ৰেজিং কিছুমান ৪০ এমএৰ। যোৱা ১০ নৱেম্বৰত অনুষ্ঠিত সভাৰ সিদ্ধান্তমৰ্মে মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাত অভিযোগ দিয়া হৈছে। কিন্তু চিএম ভিজিলেন্সৰ মানুহ অহা নাই। উপায়ুক্তৰ কাৰ্যালয়ে সমিতিৰ মানুহক মাতিছিল, আমি গৈছিলোঁ। কিন্তু তেওঁলোকৰ কথাত হয়ভৰ দিব নোৱাৰিলোঁ। কাৰণ পূৰ্বৰ সমিতিয়ে যি কাম আৰু খৰচ কৰিছিল তাৰ তদন্ত হওক। পূৰ্বৰ সমিতিখনত প্ৰভাত দাস, চক্ৰধৰ দাস, ধনজিৎ দাস, জয় দাস, বীণামতি, ৰঞ্জিত দাস আছিল। কিন্তু বাকী সদস্যক অৱগত নকৰাকৈ কামখিনি প্ৰভাত দাস আৰু চক্ৰধৰ দাসে কৰাৰ অভিযোগ বুঢ়াসত্ৰীয়াগৰাকীৰ। বাকী সদস্যসকলে গজাল, টিনপাত ক'ৰ পৰা আনিছে, সেই বিষয়ে অৱগত নহয় বুলি কয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মধ্যবিত্তলৈ বিপদ মাতিছে কৃত্ৰিম

সাম্প্ৰতিক অৰ্থনৈতিক পৰিস্থিতিক লৈ উদ্বেগ প্ৰকাশ কৰিছে নেচলে ইণ্ডিয়াৰ অধ্যক্ষ সুৰেশ নাৰায়ণেও। তেওঁ কয় যে দেশৰ মধ্যবিত্ত শ্ৰেণী আৰু গ্ৰাহকৰ আয় স্থবিৰ হৈ পৰাৰ পৰিপ্ৰেক্ষিতত ইয়াৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিছে বজাৰত। ভাৰতৰ বৰ্তমানৰ অৰ্থনৈতিক পৰিস্থিতিৰ দিশত এয়া এক গুৰুতৰ সংকেত বুলিও মন্তব্য কৰে নাৰায়ণে। নেচলে ইণ্ডিয়াৰ অধ্যক্ষগৰাকীয়ে কয়, "এটা সময় আছিল যেতিয়া এফ এম চি জি কোম্পানীসমূহে মূলতঃ মধ্যবিত্তীয় গ্ৰাহকৰ ওপৰত নিৰ্ভৰ কৰিছিল, কিন্তু এতিয়া এই শ্ৰেণী সংকুচিত হৈ পৰিছে।" তেওঁৰ মতে, যোৱা কেইটামান ত্ৰৈমাসিকত বিক্ৰীৰ এই স্থবিৰতা অস্বাভাৱিক আৰু চিন্তনীয়ভাৱে বৃদ্ধি পাইছে। উল্লেখ্য যে, ইয়াৰ পূৰ্বে শেহতীয়াকৈ এছিয়ান পেইণ্টছৰ মুখ্য কাৰ্যবাহী বিষয়াগৰাকীয়েও জিডিপিৰ সংখ্যাক লৈ সন্দেহ প্ৰকাশ কৰিছিল। অৱশ্যে তেওঁৰ মন্তব্যৰ পিছদিনা কোম্পানীটোৱে ইয়াক ভুলকৈ উপস্থাপন কৰা বুলি স্পষ্টীকৰণ দিয়ে। কিন্তু ইয়াৰ পিছতো এতিয়া বজাৰৰ ভিতৰত গ্ৰাহকৰ অসন্তুষ্টিৰ ছবিখন স্পষ্ট হৈ পৰা বুলি মন্তব্য কৰে বিভিন্নজনে। বজাৰ বিশ্লেষকসকলে ভাৰতৰ গ্ৰাম্য আৰু নগৰীয়া গ্ৰাহকৰ মাজত স্থবিৰ গ্ৰাহক বৃদ্ধিৰ বিষয়ে বহুদিনৰ পৰা আলোচনা কৰি আহিছে। এটা আতংকজনক তথ্য হ'ল অটো মোবাইল ডিলাৰৰ হাতত বৰ্তমান ৭ লাখ বাহনৰ অভুতপূৰ্ব ষ্টক আছে। নাৰায়ণনে কয় যে যাত্ৰীবাহী বাহনৰ মজুত ৭৫% বৃদ্ধি পাইছে। পূৰ্বৰ বছৰৰ তুলনাত ২০২৪ চনত বাণিজ্যিক বাহনৰ বিক্ৰীও ৪-৬% হ্ৰাস পাইছে। এই সময়ছোৱাত দুচকীয়া বাহনৰ বিক্ৰী কিছু পৰিমাণে বৃদ্ধি পালেও সেয়াও ২০১৮ বৰ্ষৰ তুলনাত হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। ইফালে মাৰুতিৰ অধ্যক্ষ আৰ চি ভাৰ্গৱে দাবী কৰে যে মধ্যবিত্ত শ্ৰেণীটো অধিক ধনী হৈ আহিছে আৰু তেওঁলোকে অধিক দামী এছ ইউ ভি ক্ৰয় কৰিবলৈ সক্ষম হৈছে। কিন্তু নাৰায়ণনে এই মতামত খণ্ডন কৰি কয়, 'গ্ৰাহকে ইমান ডাঙৰ পদক্ষেপ লোৱা বুলি জনা নাযায়। ধনীসকলে অধিক গাড়ী কিনাৰ লগে লগে এছ ইউ ভিৰ বিক্ৰী বৃদ্ধি পাইছে, আনহাতে মধ্যবিত্ত শ্ৰেণীটোৱে আয়ৰ ক্ষেত্ৰত বহুলাংশে সংকটত পৰিছে।" ক্ৰমাৎ আৰ্থিক সংকটৰ সন্মুখীন হোৱা মধ্যবিত্ত শ্ৰেণীৰ আয় আৰু গ্ৰাহক বজাৰৰ স্থবিৰতাৰ ওপৰত এতিয়া তীক্ষ্ণ দৃষ্টি ৰখাৰ প্ৰয়োজনক দোহাৰে বহু বজাৰ বিশ্লেষকে। মন কৰিবলগীয়া যে, পিউ ৰিচাৰ্চ চেণ্টাৰৰ তথ্য অনুসৰি ২০১০ চনত ভাৰতৰ মধ্যবিত্ত শ্ৰেণীৰ সংখ্যা আছিল ৫০ৰ পৰা ৭০ মিলিয়ন, কিন্তু ২০২০ চনত এই সংখ্যা ১৫০ৰ পৰা ২০০ মিলিয়নলৈ বৃদ্ধি পায়। একে সময়তে পিউ ৰিচাৰ্চ চেণ্টাৰে ২০১৭ চনত এক অধ্যয়ন চলায়, য'ত ভাৰত আৰু চীনৰ মধ্যবিত্ত শ্ৰেণীৰ আকাৰ নিৰ্ণয় কৰা হয়। এই অধ্যয়নত দৈনিক ১০ৰ পৰা ৫০ ডলাৰৰ আয়ৰ ওপৰত ভিত্তি কৰি ক্ৰয় ক্ষমতাৰ সমতা (পিপিপি) ধাৰণা কৰা হয়। ২০১৬ চনৰ তথ্য অনুসৰি ভাৰতৰ মধ্যবিত্ত শ্ৰেণীৰ সংখ্যা ১০.৮ কোটি, আনহাতে চীনৰ মধ্যবিত্ত শ্ৰেণীৰ সংখ্যা আছিল ৭০.৭ কোটি। তাতোকৈ ডাঙৰ কথাটো হ'ল চীনৰ ৬১% লোকে দিনটোত ১০ ডলাৰতকৈ অধিক উপাৰ্জন কৰে, কিন্তু ভাৰতত দৈনিক ১০ ডলাৰ বা তাতকৈ অধিক উপাৰ্জন কৰা লোকৰ সংখ্যা হৈছে মাত্ৰ ৩ শতাংশ। এনেধৰণৰ সমীক্ষাৰ পৰাই ভাৰতৰ মধ্যবিত্ত শ্ৰেণীৰ অৱস্থা স্পষ্ট হৈ পৰা বুলি দাবী কৰে বিশ্লেষকসকলে। ভাৰতত মধ্যবিত্ত শ্ৰেণীৰ উত্তৰণত আহি পৰা স্থবিৰতা দূৰ কৰিবলৈ চৰকাৰৰ কাৰ্যকৰী পদক্ষেপৰ প্ৰয়োজনীয়তাৰ কথাও দোহাৰে একাংশ বিশ্লেষকে। বিশ্ব বেংক আৰু অৰ্গেনাইজেচন ফৰ ইকনমিক ক'অপাৰেশ্যন এণ্ড ডেভেলপমেণ্ট (OECD)ৰ প্ৰতিবেদন অনুসৰি দিনটোত ২.১৫ ডলাৰৰ কম উপাৰ্জন কৰা লোকসকলক দৰিদ্ৰ হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে। যিসকলে দিনটোত ডেৰ-দুই ডলাৰতকৈ অধিক উপাৰ্জন কৰি আছে তেওঁলোকক এই দুটা সংগঠনে নিম্ন মধ্যবিত্তৰ শ্ৰেণীত ৰাখিছে। ভাৰতৰ নিটি আয়োগে অৱশ্যে এনে কোনো আৰ্থ-সামাজিক শ্ৰেণীবিভাজন কৰা নাই। অৱশ্যে এই কেন্দ্ৰীয় সংগঠনটোৱে বিভিন্ন সময়ত কাক মধ্যবিত্ত শ্ৰেণী বুলি কোৱা হ'ব তাৰ ইংগিত দিছে। আয়োগৰ মতে, বৰ্তমানৰ আৰ্থিক পৰিস্থিতিত প্ৰতিমাহে ২০ৰ পৰা ৪০ হাজাৰ টকা উপাৰ্জন কৰা ব্যক্তিজনক নিম্ন মধ্যবিত্ত বুলি কোৱা উচিত। আনহাতে, মাহে ৪০ হাজাৰৰ পৰা ১ লাখ টকা উপাৰ্জন কৰা লোকসকল মধ্যবিত্ত শ্ৰেণীত পৰিব। নীতি আয়োগে ১ লাখ টকাৰ ওপৰত মাহিলি আয় থকা লোকক উচ্চ মধ্যবিত্ত শ্ৰেণী হিচাপে ৰাখিছে। মহানগৰীৰ আৰ্থিক অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি এই হিচাপ কৰা হয়। প্ৰাইছৰ মতে আকৌ নিৰ্দিষ্ট আৰ্থিক আয়ৰ ওপৰত ভিত্তি কৰি মধ্যবিত্ত শ্ৰেণীৰ সংজ্ঞা সদায় সম্ভৱ নহয়। কিন্তু মোটামুটিকৈ যদি এজন ব্যক্তিৰ মাহিলি আয় ১.০৯ লাখৰ পৰা ৬.৪৬ টকাৰ ভিতৰত হয়, তেন্তে তেওঁক মধ্যবিত্ত শ্ৰেণীত স্থান দিব পাৰি। ইয়াৰ উপৰিও ভাৰতৰ মধ্যবিত্ত শ্ৰেণীয়ে মুদ্ৰাস্ফীতিৰ সৈতেও মোকাবিলা কৰিবলগীয়া হৈছে। ৰাজ্যভিত্তিক গড় আয়ৰ পৰিসংখ্যালৈ এবাৰ চকু ফুৰালে দেখা যায় যে মহাৰাষ্ট্ৰ আৰু দিল্লীত মধ্যবিত্ত শ্ৰেণীৰ লোকৰ সংখ্যা সৰ্বাধিক। ইয়াৰ পিছতে গুজৰাট, বিহাৰ আৰু উত্তৰ প্ৰদেশৰ স্থান। খোৱাৰ ক্ষেত্ৰত মধ্যবিত্ত শ্ৰেণীয়ে দুখীয়াতকৈ আঠগুণ বেছি খৰচ কৰে। বিশেষজ্ঞসকলৰ মতে দেশৰ আৰ্থিক পৰিস্থিতিৰ পৰিৱৰ্তনৰ লগে লগে মধ্যবিত্ত শ্ৰেণীয়ে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ বাঢ়িছে। ভৱিষ্যতে কৰ্মক্ষেত্ৰত জীয়াই থাকিবলৈ তেওঁলোকে কৃত্ৰিম বুদ্ধিমত্তাৰ দৰে উন্নত প্ৰযুক্তিৰ সৈতে যুঁজিব লাগিব। এনেদৰে এতিয়া ভয়ংকৰ বিপদৰ সন্মুখীন হৈছে মধ্যবিত্ত।

# ৰূপাইৰ সাহিত্যিক শৰৎ চন্দ্ৰ চিৰিং ফুকনলৈ অসম চৰকাৰৰ সাহিত্য বঁটা

**ই-সংবাদ, ডুমডুমা, ৬ ডিচেম্বৰঃ** অসম চৰকাৰে আজি ঘোষণা কৰা ২০২৪-২৫ বৰ্ষৰ সাহিত্য বঁটা আৰু সাহিত্যিক পেঞ্চন প্ৰাপকৰ নামত তিনিচুকীয়া জিলাৰ স্বনামধন্য সাহিত্যিক শৰৎ চন্দ্ৰ চিৰিং ফুকনৰ নামো সন্নিবিষ্ট হোৱাত তিনিচুকীয়া জিলাত আনন্দৰ লহৰ উঠিছে। ডুমডুমা সম-জিলাৰ অন্তৰ্গত তথা চাহ নগৰী ডুমডুমাৰ কাষৰীয়া ৰূপাই চাইডিং মিলন তীৰ্থৰ নিবাসী ঐতিহ্যমণ্ডিত ডাঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অসমীয়া বিষয়ৰ অৱসৰী বিষয় শিক্ষক শৰৎ চন্দ্ৰ চিৰিং ফুকনে বৰ্তমানলৈকে কুৰিখনৰো অধিক গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিছে। ইতিমধ্যে কৃতী



শিক্ষকৰ ৰাজ্যিক বঁটাও লাভ কৰা ৰাজ্যখনৰে এগৰাকী বিশিষ্ট সাহিত্যিক শৰৎ চন্দ্ৰ চিৰিং ফুকনৰ লেখা অসমৰ প্ৰায়বোৰ কাকত-আলোচনীত প্ৰকাশ পাই আহিছে। তিনিচুকীয়া জিলা সাহিত্য সভাৰ সম্পাদকৰ দায়িত্বও বহন কৰা চিৰিং ফুকন অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰো সদস্য আছিল। বৰ্তমান তিনিচুকীয়া জিলা সাহিত্য সেৱী মঞ্চৰ সৈতে জড়িত শৰৎ চন্দ্ৰ চিৰিং ফুকনে আন বহুতো বঁটা আৰু সন্মান লাভ কৰিবলৈ সক্ষম হৈছে।সাহিত্যিক হোমেন বৰগোহাঞিৰ জন্ম দিৱস উপলক্ষে ৭ ডিচেম্বৰ, শনিবাৰে বিয়লি দুই বজাত গুৱাহাটী বিশ্ববিদ্যালয়ত আয়োজন কৰা এক বিশেষ অনুষ্ঠানত সাহিত্যিক গৰাকীক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বঁটা প্ৰদান কৰিব। এই বঁটাত আছে নগদ ৫০,০০০ টকা আৰু প্ৰশস্তি পত্ৰ। বিভিন্ন ব্যক্তি আৰু সংগঠনে তেখেতক এইক্ষেত্ৰত অভিনন্দন জনাইছে।

# ফটো ভাইৰেল কৰাৰ ভাবুকি দি যুৱক গ্ৰেপ্তাৰ

**ই-সংবাদ, ৬ ডিচেম্বৰঃ** যুৱতীৰ উলংগ ফটো ভাইৰেল কৰাৰ ভাবুকি দিয়া এজন যুৱকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে গুৱাহাটী আৰক্ষীয়ে। মহানগৰীৰ লতাশিল আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা যুৱকজন হৈছে মুনিৰ ৰহমান। যুৱকজনক গ্ৰেপ্তাৰ কৰি ঘটনাক লৈ তদন্ত অব্যাহত ৰাখিছে লতাশিল আৰক্ষীয়ে। যুৱতীৰ উলংগ ফটো ভাইৰেল কৰিব খোজাৰ কাণ্ডৰ সৈতে কি উদ্দেশ্যে নিহিত হৈ আছিল তাকে লৈ জোৰ তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে। জানিব পৰা মতে, মহানগৰীৰ হেদায়াৎপুৰত বসবাস কৰা মুনিৰ ৰহমানে এগৰাকী যুৱতীৰ যৌনগন্ধী ফটো সংগ্ৰহ কৰিছিল। গুৱাহাটীত বসবাস কৰা উজনিৰ শিৱসাগৰ জিলাৰ যুৱতীগৰাকীক ফটো ভাইৰেল কৰাৰ ভাবুকি দি ব্লেক মেইল কৰিব খুজিছিল। দীৰ্ঘদিন ধৰি যুৱতীক ভাবুকি দি আহিছিল যদিও যুৱতীয়ে লতাশিল আৰক্ষীৰ কাষ চাপে। লতাশিল আৰক্ষীয়ে অভিযোগ লাভৰ পিছতে অভিযান আৰম্ভ কৰি হেদায়াৎপুৰৰ পৰা মুনিৰ ৰহমানক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ইয়াৰ পূৰ্বেও যুৱতীগৰাকীয়ে মুনিৰৰ বিৰুদ্ধে হাৰাশাস্তি কৰাৰ অভিযোগ আনি আৰক্ষীৰ কাষ চাপিছিল বুলি জানিব পৰা গৈছে। ইফালে, যুৱকজনে যুৱতীগৰাকীৰ বিৰুদ্ধে আনিছে প্ৰতিভিযোগ। গ্ৰেপ্তাৰ হোৱা যুৱকজনৰ মতে যুৱতীগৰাকীয়ে হেনো ব্লেকমেইলিং কৰি তেওঁৰ পৰা ১২ লাখৰো অধিক টকা সৰকাই নিছে। যুৱতীগৰাকীয়ে প্ৰেমৰ অভিনয় কৰি তেওঁৰ পৰা কৌশলেৰে ধনখিনি সৰকাই নিয়াৰ পিছতে উক্ত অভিযোগ দিয়া বুলি দাবী কৰে গ্ৰেপ্তাৰ হোৱা যুৱকজনে।

# দগাঁও টিয়কীয়া চুকৰ পৰা নিৰুদ্দেশ বিবাহিতা মহিলা

**ই-সংবাদ, গেলেকী, ৬ ডিচেম্বৰঃ** ভগামুখ আৰক্ষী থানাৰ অন্তৰ্গত দগাঁও টিয়কীয়া চুকৰ বাসিন্দা মনোজ গগৈৰ পত্নী বীনা গগৈ যোৱা ২৯ নৱেম্বৰৰ পৰা নিৰুদ্দেশ হৈ আছে বুলি জানিব পৰা গৈছে। উক্ত দিনা মহিলাগৰাকীয়ে তামুলীছিগাস্থিত গাঁৱলীয়া বেংকলৈ বুলি ওলাই যোৱাৰ পিছৰে পৰা নিৰুদ্দেশ হৈ আছে। ঘটনাৰ সন্দৰ্ভত মহিলাগৰাকীৰ স্বামীয়ে ২৯ নৱেম্বৰত ভগামুখ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছিল। মহিলাগৰাকীক বিচাৰি বিভিন্ন ঠাই চলাথ কৰি ফুৰিছে স্বামীয়ে। কোনো সদাশয় ব্যক্তিয়ে এই মহিলাগৰাকীক যদি ক'ৰবাত দেখা পায় তেনেহ'লে 9678381270 অথবা 6002953071 নম্বৰত যোগাযোগ কৰিবলৈ স্বামীয়ে সংবাদমাধ্যমৰ জৰিয়তে কাতৰ আহ্বান জনাইছে।

## ৰহস্যাৰ আৱৰ্তত সমগ্ৰ ঘটনা, আৰক্ষীৰ তদন্ত আৰম্ভ

# ঘৰৰ কাম কৰা যুৱতীক নিশা ৰিজৰ্টত এৰি পলাল গুৱাহাটীৰ প্ৰভাৱশালী দম্পতী

**ই-সংবাদ, শুৱালকুছি , ৬ ডিচেম্বৰঃ** কামৰূপৰ গন্ধমৌ বঙলাঘুলিত বুধবাৰে নিশা এগৰাকী যুৱতীক অসুস্থ অৱস্থাত স্থানীয় ৰাইজে উদ্ধাৰ কৰা ঘটনাই সমগ্ৰ অঞ্চলত চাঞ্চল্যৰ সৃষ্টি কৰিছে। কামৰূপৰ গন্ধমৌস্থিত ককো বেম্ব’ নামৰ ৰিজৰ্টত অৱসৰ বিনোদনৰ বাবে আহিছিল গুৱাহাটীৰ এহাল প্ৰভাৱশালী দম্পতী। তেওঁলোকৰ লগত আছিল ঘৰত সহায়িকা হিচাপে কাম কৰা এগৰাকী ১৯ বছৰীয়া যুৱতী। উল্লেখ্য যে ৰিজৰ্টত দুপৰীয়াৰ আহাৰ গ্ৰহণৰ পিছত সন্ধিয়া যুৱতীগৰাকীক এৰি ৰিজৰ্টৰ পৰা পলায়ন কৰে এই প্ৰভাৱশালী দম্পতীহালে। পিছত বঙলাঘুলী অঞ্চলৰ স্থানীয় ৰাইজে নিশা প্ৰায় ১০ বজাত সন্দেহজনকভাৱে ঘূৰি থকা অৱস্থাত যুৱতীগৰাকীক উদ্ধাৰ কৰে শুৱালকুছি আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে যুৱতীগৰাকীক উদ্ধাৰ কৰি শুৱালকুছি আৰক্ষীতে কৰ্মৰত এগৰাকী মহিলা কনিষ্ঠবলৰ ঘৰত নিশাটো যুৱতীগৰাকী থকাৰ ব্যৱস্থা কৰি দিয়ে। বৃহস্পতিবাৰে শুৱালকুছি আৰক্ষীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নৱজ্যোতি ডেকাই শুৱালকুছি মহাত্মা গান্ধী ৩০খন বিচনাযুক্ত চিকিৎসালয়ত যুৱতীগৰাকীৰ স্বাস্থ্য পৰীক্ষা কৰোৱাৰ পাছত জালুকবাৰী ষ্টেট হোমলৈ প্ৰেৰণ কৰে। প্ৰাপ্ত তথ্য মতে গুৱাহাটীৰ বৰকাকতি উপাধিৰ এটা পৰিয়ালৰ ঘৰত বিগত ৫ মাহ ধৰি ঘৰৰ সহায়িকা হিচাপে কৰ্মৰত আছিল যুৱতীগৰাকী। কিন্তু কি ৰহস্যজনক কাৰণত ১৯ বছৰীয়া যুৱতীগৰাকীক এনেদৰে দম্পতীহালে এৰি পলায়ন কৰিলে সেয়া এতিয়াও ৰহস্যৰ আৱৰ্তত। হঠাৎ যুৱতীগৰাকী নিখোজ হোৱাৰ পিছতো দম্পতীহালে স্থানীয় আৰক্ষী থানাত কিয় অৱগত নকৰিলে, তাক লৈও ৰাইজৰ মাজত প্ৰশ্নৰ উদয় হৈছে। ইতিমধ্যে শুৱালকুছি আৰক্ষীয়ে নিজাববীয়াকৈ আৰম্ভ কৰিছে প্ৰাথমিক তদন্ত । দম্পতীহালে মাৰধৰ কৰাৰো গুৰুতৰ অভিযোগ উত্থাপন কৰিছে যুৱতীগৰাকীয়ে। ইপিনে যুৱতীগৰাকীৰ সৈতে উদ্ধাৰ হৈছে যুৱতীগৰাকীৰ আধাৰ কাৰ্ড আৰু জালুকবাৰী ষ্টেট হোমৰ বাবে সহায়িকা বিচাৰি কৰা এখন আবেদন পত্ৰ। আৰক্ষীৰ তদন্ততহে পোহৰলৈ আহিব সকলো ৰহস্য ।



আকাশতে পালে আপোনতাৰ গোন্ধ! নিজ সমষ্টিৰ এয়াৰ হোষ্টেজৰ সৈতে ফটো উঠিলে সাংসদ ৰঞ্জিত দত্তই

# এপিএছচিত ১৯ সংখ্যক স্থানত আমগুৰিৰ ৰণদীপ

**ই-সংবাদ, আমগুৰি, ৬ ডিচেম্বৰঃ** বৃহস্পতিবাৰে ঘোষণা কৰা এপিএছচি পৰীক্ষাত শিৱসাগৰ জিলাৰ আমগুৰিৰ নামতিপুল কমাৰচুক ডিব্ৰুৱাল গাঁৱৰ ৰণদীপ গগৈয়ে ১৯ সংখ্যক স্থান দখল কৰি বৃহত্তৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। ৰণদীপ গগৈ হৈছে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অভিযন্তা দিলীপ গগৈ আৰু শিক্ষয়িত্ৰী গিতালী গগৈৰ জেষ্ঠ পুত্ৰ। এই সংবাদ পোৱাৰ পিছতেই ৰণদীপৰ লগতে পিতৃ, মাতৃ, ভগ্নী আৰু বৰদেউতাৰ চকুত দেকিবলৈ পোৱা গ'ল আনন্দৰ চকুলো। ৰণদীপ গগৈয়ে অসম আৰক্ষী সেৱাৰ বাবে নিৰ্বাচিত হোৱাত ঘৰখনত এতিয়া এক আনন্দময় পৰিৱেশ। এই সফলতাৰ পিছতে নামতিপুল সামাজিক আৰু সাংস্কৃতিক বিকাশ কেন্দ্ৰৰ হৈ কাৰ্যকৰী সভাপতি চিদানন্দ গগৈ, বীৰেণ গগৈ, নৰেন শইকীয়া, সাংস্কৃতিক সম্পাদক দীপক গগৈ, পৰিমল বৰা, অৰিন্দম বৰা, কোষাধ্যক্ষ নিৰ্মল গগৈ, মহিলা আভ্যৰ্থনা সমিতিৰ হৈ ইন্দ্ৰানী ৰাজকুমাৰী, দীপা গগৈ, ইৰামণি গগৈ, পপী বৰা, ভাৰতীয় জনতা পাৰ্টীৰ হৈ জিলাৰ উপ-সভাপতি ধ্ৰুৱ জ্যোতি চাংমাই, জিলা যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক বিতুল কাকতি, আমগুৰি মণ্ডলৰ কোষাধ্যক্ষ অৰূপ গগৈ, সূৰ্যোদয় যুৱক সংঘৰ সম্পাদক উত্তম বৰাৰ লগতে মাইনু মহন্ত আৰু শুভাকাংক্ষীয়ে ৰণদীপ গগৈক সম্বৰ্ধনা জনায়।

# বঙাইগাঁৱত ইলোৰা বিজ্ঞান মঞ্চৰ কুসংস্কাৰ অন্ধবিশ্বাস বিৰোধী দিৱসৰ আয়োজন

**ই-সংবাদ, বঙাইগাঁও, ৬ ডিচেম্বৰঃ** আধুনিক অসমৰ উজ্জ্বল জ্যোতিষ্ক, আধুনিকতাৰ অগ্ৰদূত তথা অসমীয়া ভাষাৰ ওজা, কু-সংস্কাৰ বিৰোধী যুঁজৰ অন্যতম বাটকটীয়া হেমচন্দ্ৰ বৰুৱাৰ জন্ম দিৱসৰ লগত সংগতি ৰাখি ১০ ডিচেম্বৰত ইলোৰা বিজ্ঞান মঞ্চই প্ৰতিবছৰে কুসংস্কাৰ-অন্ধবিশ্বাস বিৰোধী দিৱস হিচাপে পালন কৰি আহিছে। সেয়ে সংগঠনটোৰ বঙাইগাঁও-চিৰাং জিলা সমিতিৰ উদ্যোগত আৰু অসমীয়া প্ৰতিদিন গোষ্ঠী, বঙাইগাঁৱৰ সহযোগিতাত অহা ১০ ডিচেম্বৰত 'কুসংস্কাৰ-অন্ধবিশ্বাস বিৰোধী দিৱস' উদযাপনৰ সংকল্প গ্ৰহণ কৰিছে। বঙাইগাঁও চহৰৰ বৰপাৰাস্থিত অসমীয়া প্ৰতিদিন কাৰ্যালয় প্ৰাংগণত কুসংস্কাৰ-অন্ধবিশ্বাস বিৰোধী দিৱস উপলক্ষে সিদিনা পুৱা ১১ বজাত হেমচন্দ্ৰ বৰুৱাৰ প্ৰতিকৃতিত মাল্যাৰ্পণ, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান তথা কেইগৰাকীমান ব্যক্তিয়ে মৰণোত্তৰ দেহদানৰ হকে ইচ্ছাপত্ৰত স্বাক্ষৰ কৰাৰ কাৰ্যসূচীৰ জৰিয়তে এই অনুষ্ঠান সম্পন্ন কৰা হ'ব। উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সকলো বিজ্ঞানমনস্ক লোকৰ উপস্থিতি কামনা কৰিছে ইলোৰা বিজ্ঞান মঞ্চ, বঙাইগাঁও-চিৰাং জিলা সমিতিৰ সভাপতি ডাঃ ফিৰোজ আহমেদ আৰু সম্পাদক হৰেশ্বৰ দাসে।



নতুন দিল্লীত মাননীয় কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনক সাক্ষাত অসমৰ মুখ্যমন্ত্ৰীৰ



অসম লোকসেৱা আয়োগৰ সদ্য ঘোষিত পৰীক্ষাৰ ফলাফলত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ঋতু পৱন বৰাক মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰতিনিধি দলৰ সম্বৰ্ধনা

## হায় মানৱতা! বাৰে বাৰে কিয় ভুলণ্ঠিত হৈছে মানৱতা?

# তিতাবৰত পুতি থোৱা অৱস্থাত নৱজাতক উদ্ধাৰ, চাঞ্চল্য

ই-সংবাদ, তিতাবৰ, ৬ ডিচেম্বৰঃ তিতাবৰৰ মোহনাটিং বৰুৱাবাৰীত সংঘটিত হয় সভ্য সমাজক লজ্জানত কৰা এক ঘটনা। অবৈধ মাতৃত্বৰ বোজা লুকুৱাবলৈ এটি নৱজাতকক নিজ মাতৃয়ে চাহ বাগিচাত পুতি থোৱাৰ এক ঘৃণনীয় ঘটনা পোহৰলৈ আহিছে। নৱজাতকটি মৃত নে জীৱিত অৱস্থাত পুতি থোৱা হৈছিল সেয়া বৰ্তমানলৈকে জানিব পৰা হোৱা নাই। স্থানীয় এগৰাকী মহিলাই সমগ্ৰ ঘটনাটো জানিব পাৰি গাঁৱৰ সমাজ আৰু গাঁওৰক্ষী বাহিনীক জনায়। ইয়াৰ পিছতে কালি সন্ধিয়া এলেকাটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। গাঁৱৰ সমাজ আৰু গাঁওৰক্ষী বাহিনীয়ে তিতাবৰ আৰক্ষীক ঘটনাটো সন্দৰ্ভত অৱগত কৰাত আৰক্ষী তাৎক্ষণিকভাৱে ঘটনাস্থলীত উপস্থিত হয়। তিতাবৰৰ দণ্ডাধীশ আৰু আৰক্ষীয়ে অনুসন্ধান চলাই চাহ বাগিচাৰ মাজত পুতি থোৱা অৱস্থাৰ পৰা মৃত নৱজাতকটি উদ্ধাৰ কৰে। ইতিমধ্যে নৱজাতকটিক মৰোণোত্তৰ আৰু ডিএনএ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে। ঘটনাটোৰ সন্দৰ্ভত নৱজাতকৰ মাতৃ আৰু পৰিয়ালক আটক কৰি আৰক্ষীয়ে সোধা-পোছা অব্যাহত ৰাখিছে। ঘটনাটোৱে সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# তিতাবৰত মিঠাতেল ভৰ্তি ট্ৰাক দুৰ্ঘটনাগ্ৰস্ত

**ই-সংবাদ, তিতাবৰ, ৬ ডিচেম্বৰঃ** যোৱা নিশা তিতাবৰত সংঘটিত হয় এক ভংয়কৰ পথ দুৰ্ঘটনা। যোৰহাটৰ পৰা প্ৰায় ১০০০ কাৰ্টন মিঠাতেলৰ বটল কঢ়িয়াই এখন ট্ৰাক ডিমাপুৰলৈ গৈ থকা অৱস্থাতে তিতাবৰৰ কৃষি গৱেষণা কেন্দ্ৰৰ সন্মুখত দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাত মিঠাতেল ভৰ্তি ট্ৰাকখন পথ কাষত বাগৰি পৰাত গাড়ীখনৰ বিস্তৰ ক্ষতিসাধন হয়। গাড়ীখনৰ নম্বৰ এএছ-০৩ চি চি-৬৪৩৯। গাড়ীৰ চালকজনৰ বিৰুদ্ধে সুৰাপান কৰি গাড়ী চলোৱাৰ অভিযোগ উত্থাপন হৈছে। দুৰ্ঘটনা সংঘটিত কৰিয়েই চালকজনে পলায়ন কৰে। নিশাই ঘটনাস্থলীত উপস্থিত হয় তিতাবৰ আৰক্ষী।

# শৰতৰ পূৰ্ণিমা যোৱা কুৰি দিন হ'ল, তথাপি শেষ হোৱা নাই ৰাস

**ই-সংবাদ, বেবেজীয়া, ৬ ডিচেম্বৰঃ** প্ৰতি বছৰে শৰৎ কালৰ পূৰ্ণিমা তিথিত ৰাজ্যজুৰি উদযাপন কৰা হয় ৰাস মহোৎসৱ। শৰতৰ পূৰ্ণিমাৰ নিশা বিতোপন হৈ পৰে ৰাজ্যৰ চৌপাশ। কেৱল শ্ৰীকৃষ্ণৰ বন্দনাৰে দ্বিতীয় বৈকুণ্ঠপুৰীলৈ পৰিণত হৈ পৰে ৰাজ্যৰ চৌদিশ। সৰ্বত্ৰে সৃষ্টি হয় উৎসৱমুখৰ পৰিৱেশৰ। তদ্ৰূপ এইবাৰো সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাৰ প্ৰান্তে প্ৰান্তে যোৱা ১৫ নৱেম্বৰৰ পূৰ্ণিমা তিথিত উদযাপিত হয় ৰাস মহোৎসৱ। নিৰ্ধাৰিত সেই দিনটোৰ পৰাই ৰাস উৎসৱ আয়োজন সমিতিয়ে ঠায়ে ঠায়ে দুইৰ পৰা চাৰিদিনীয়াকৈ এই উৎসৱ উদযাপন কৰা দেখা যায়। পিছে শৰৎ কালৰ পূৰ্ণিমা তিথি পাৰ হোৱাৰ কুৰি দিন গ'ল। তথাপি কিন্তু ৰাস উৎসৱক লৈ উৎসাহৰ ঢৌ বৰ্তমানেও মাৰ যোৱা নাই নগাঁও জিলাৰ বিভিন্ন প্ৰান্তত। উগ্ৰ আধুনিকতাৰ সোঁতত উটি-ভাহি ফুৰা একাংশ সংস্কৃতিপ্ৰেমীয়ে ৰাস উৎসৱৰ আনন্দ যেন উপভোগ কৰি শেষেই কৰিব পৰা নাই। যাৰ পৰিণতিত এইবাৰ পূৰ্ণিমা নহয় অমাৱশ্যাৰ নিশাও ৰাস উৎসৱ উদযাপিত হয় জিলাখনত। যাক লৈ সচেতন একাংশ নগঞাৱৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এইসকল নগঞাই এইবোৰ দেখি কয় যে বৰ্তমান আধুনিকতাৰ ধামখুমীয়াত পৰি শৰৎ কালৰ পূৰ্ণিমাৰ পূৰ্বৰ সেই পৰম্পৰাগত ৰাস উৎসৱৰ মাদকতাপূৰ্ণ ৰঙীন পৰিৱেশ-পৰিস্থিতি আজিৰ তাৰিখত বিচাৰি নাপালেও এচাম সংস্কৃতিপ্ৰেমীৰ কৃপাতে এইদৰে নিৰ্দিষ্ট দিনৰ বহু পলমকৈ পতা এই ৰাস উৎসৱবোৰ আজি চুবুৰীয়ে চুবুৰীয়ে অৱস্থান কৰিছে। তদুপৰি আজিকালি এই ৰাস উৎসৱৰ অধিকাংশতে দেখা পোৱা নাযায় পুৰণি ঐতিহ্য আৰু মাদকতা। উল্লেখ্য যে এনেদৰে দেখাক দেখি বহু পলমকৈ অনুষ্ঠিত কৰা এনে ৰাস উৎসৱে অসমীয়া কলা-কৃষ্টি-সংস্কৃতিৰ বৰপেৰাত কি সমল গোটাইছে তাৰ সদুত্তৰ নাই কাৰোৰে হাতত।

# বেজেৰা সামূহিক স্বাস্থ্য কেন্দ্ৰত স্বাস্থ্যসেৱা উৎসৱৰ সামৰণি

**ই-সংবাদ, বাইহাটা চাৰিআলি, ৬ ডিচেম্বৰঃ** যোৱা ৩ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা স্বাস্থ্যসেৱা উৎসৱৰ যোৱা ৫ ডিছেম্বৰত সামৰণি পৰে। বেজেৰা সামুহিক স্বাস্থ্য কেন্দ্ৰৰ উপ-অধীক্ষক ডাঃ সবীন চন্দ্ৰ দাসে অৱগত কৰা মতে মানৱাধিকাৰ আয়োগৰ সচিব কাব্যশ্ৰী মহন্ত, ৰঙিয়াৰ এছ ডি এ অ' দুৰ্লভ দাস আৰু ডাঃ মুস্তফা আয়েছা ছিদ্দিক আৰু বি এম জি এফৰ জ্যেষ্ঠ আঁচনি বিষয়া ডাঃ নিমিষা গোৱেলে বহিঃমূল্যায়ক হিচাপে বেজেৰা সামূহিক স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন কৰে। বহিঃমূল্যায়কসকলে বেজেৰা সামূহিক স্বাস্থ্যকেন্দ্ৰত উপস্থিত থাকি চিকিৎসালয়খনৰ আন্তঃগাঁথনি পৰ্যবেক্ষণ কৰে। বহিঃমূল্যায়ককেইগৰাকীক চিকিৎসালয়খনৰ তৰফৰপৰা বিপুলভাৱে আদৰণি জনোৱাৰ লগতে সম্বৰ্ধনা জনোৱা হয়। আদৰণি আৰু সম্বৰ্ধনা অনুষ্ঠান পৰিচালনা কৰে ফিজিঅ'থেৰাপি চিকিৎসক অমলকৃষ্ণ ৰাজবংশী আৰু জ্যেষ্ঠ সহায়ক বসন্ত ডেকাই। বহিঃমূল্যায়কসকলে চিকিৎসালয়খনত চিকিৎসা লাভৰ বাবে অহা একাংশ ৰোগীৰ সৈতেও মত বিনিময় কৰে। বেজেৰা সামূহিক স্বাস্থ্যকেন্দ্ৰৰ উপ-অধীক্ষক ডাঃ সবীন চন্দ্ৰ দাসৰ নেতৃত্বত সুন্দৰভাৱে পৰিচালিত হৈ থকা স্বাস্থ্যকেন্দ্ৰটোৰ শিশু বিশেষজ্ঞ চিকিৎসকৰ লগতে ৰোগী অনুপাতে আৰু অধিক চিকিৎসক নিযুক্তিৰ বাবে স্বাস্থ্যসেৱা উৎসৱৰ সময়তে ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগক অনুৰোধ জনাইছে অঞ্চলটোৰ ৰাইজে। আনহাতে, চিকিৎসালয়খনৰ চিকিৎসক-কৰ্মচাৰীসকলে উপ-অধীক্ষক ডাঃ দাসৰ নেতৃত্বত অনাগত দিনবোৰতো ঐক্যবদ্ধভাৱে আৰু অধিক একাগ্ৰতাৰে কাম কৰি যাবলৈ স্বাস্থ্যসেৱা উৎসৱৰ এই শুভ ক্ষণত প্ৰতিজ্ঞাবদ্ধ হয়।

# সৰবৰহী মহিলা সুপ্ৰভা গগৈৰ পৰলোকপ্ৰাপ্তি

**ই-সংবাদ, আমগুৰি, ৬ ডিচেম্বৰঃ** অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰয়াত ৰেৱকান্ত গগৈৰ পত্নী সুপ্ৰভা গগৈ (৮৫)য়ে কালি যোৰহাটৰ এখন ব্যক্তিগত চিকিৎসালয়ত উচ্চৰক্তচাপজনিত কাৰণত চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বস ত্যাগ কৰে। সহজ সৰল অমায়িক স্বভাৱৰ মহিলাগৰাকীৰ মৃতদেহ আহি নামতি চাৰি আলি খনিকৰ গাঁৱৰ নিজা বাসগৃহ পোৱাৰ লগে লগে অগণন গুণমুগ্ধই তেওঁক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। সুপ্ৰভা গগৈয়ে মৃত্যুৰ সময়ত দুজন পুত্ৰ আৰু বোৱাৰী, দুগৰাকী জী-জোঁৱাই, নাতি-নাতিনীসহ বহু আত্মীয় স্বজনক ইহ-সংসাৰত এৰি থৈ যায়।

## উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকিব ৰঞ্জন গগৈ, ডাঃ ৰণোজ পেগু

# মঙলদৈ গ্ৰন্থমেলাৰ ব্যাপক প্ৰস্তুতি, উন্মোচন হ'ব ৩০ৰো অধিক গ্ৰন্থ

**ই-সংবাদ, মঙলদৈ, ৬ ডিচেম্বৰঃ** অহা ৮ ডিচেম্বৰৰ পৰা ১৪ ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব মঙলদৈ গ্ৰন্থ মেলা-২০২৪। মঙলদৈ প্ৰেছ ক্লাবৰ উদ্যোগত আৰু অসম পুথি প্ৰকাশন আৰু বিক্ৰেতা সন্থাৰ সহযোগত মঙলদৈ চহৰৰ গান্ধী ময়দান ১০০ অধিক বিপণী বহিব পৰাকৈ সজাই পৰাই তোলা হৈছে। এইবেলি গ্ৰন্থমেলাত দিল্লী, কলিকতাকে ধৰি ৩৫ টাৰো অধিক গ্ৰন্থ প্ৰকাশনে অংশগ্ৰহণ কৰিব। তদুপৰি থলুৱা খাদ্য সম্ভাৰকে ধৰি আন আন বিপণীও সাজু কৰা হৈছে। আজি সন্ধিয়া গ্ৰন্থ মেলা আয়োজক সমিতিৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়া, কাৰ্যকৰী সভাপতি ৰাজেন্দ্ৰ নাথ হাজৰিকা, সাধাৰণ সম্পাদকদ্বয় ৰাজীৱ কুমাৰ ডেকা, মুকুট ৰাজ শৰ্মা আৰু সম্পাদক লক্ষীনন্দন কলিতাই জনোৱা মতে ৮ ডিচেম্বৰৰ বিয়লি ৩ বজাত গ্ৰন্থমেলা উদ্বোধন কৰিব শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুয়ে। ইয়াৰ পিছতে সাংসদ দিলীপ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিতব্য উদ্বোধনী অনুষ্ঠানত দেশৰ অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়ধীশ তথা ৰাজ্য সভাৰ সাংসদ ৰঞ্জন গগৈয়ে অংশগ্ৰহণ কৰিব। সভাত বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰী, সাহিত্য একাডেমী বটা বিজয়ী সাহিত্যক ডঃ জুৰি দত্ত, দৰং জিলা সাহিত্য সভাৰ সভাপতি ৰজনীকান্ত নাথ, মঙলদৈৰ বিধায়ক বসন্ত দাস, ছিপাঝাৰৰ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশী, দলগাঁৱৰ বিধায়ক মজিবুৰ ৰহমানসহ বিশিষ্ট লোকসকলে অংশগ্ৰহণ কৰিব। উক্ত সভাত যুৱ সাহিত্যিক ডঃ পুস্পাঞ্জলী শিৰমৰ গ্ৰন্থ উন্মোচন কৰা হ'ব। নিশা সাংস্কৃতিক অনুষ্ঠানত দৰঙী লোক কৃষ্টি প্ৰদৰ্শন কৰাৰ লগতে গীত পৰিৱেশন কৰিব ভৃগু কাশ্যপে। আনহাতে, ৯ ডিচেম্বৰৰত অনুষ্ঠিত হ'বলগীয়া বিয়া নামৰ গীত উদ্বোধন কৰিব বিশিষ্ট শিল্পী অনিমা চৌধুৰীয়ে। ১০ ডিচেম্বৰত অনুষ্ঠিত হ'ব কবি সন্মিলন আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা। কবি সন্মিলন উদ্বোধন কৰিব ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা বিনীতা বৰা দেৱ চৌধুৰীয়ে। কবি এম কামালুদ্দিন আহমেদৰ সঞ্চালনাত অনুষ্ঠিত হ'ব কবি সন্মিলন। উক্ত দিনা বিয়লি ৩ বজাত দৰং জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ৰাজেন্দ্ৰ নাথ হাজৰিকাৰ সঞ্চালনাত আয়োজিত গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হ'ব। বিশিষ্ট সাংবাদিক তথা অসমীয়া খবৰৰ কাৰ্যবাহী সম্পাদক বিশ্বজিৎ দাসে উদ্বোধন কৰিব লগীয়া এই সভাত সাহিত্যিক মলয় বৰুৱাৰ 'নকল ভদ্ৰামীৰ মুখা', ডঃ লীনা শইকীয়াৰ জীৱনৰ ক্ৰমবিকাশৰ কাহিনী, ভাস্কৰজোতি শৰ্মাৰ বিষ্ণু পুৰাণৰ অসমীয়া অনুবাদ, ডঃ প্ৰণামিকা শৰ্মাৰ ৰ'দ বৰষুণ, ৰেজিয়া খাতুনৰ আঘোণৰ চোতাল আৰু সোণ পৰুৱাৰ হাঁহি, নৱ বৈশ্যৰ স্বপ্নৰ পাপৰিকে ধৰি কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হ'ব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানত পুতলা নাচ, নাঙেলী গীত আদি অনুষ্ঠিত হ'ব। আনহাতে ১১ ডিচেম্বৰত শিশু অনুষ্ঠান অনুষ্ঠিত হ'ব। মঙলদৈ গ্ৰন্থমেলা আয়োজক সমিতিৰ সাধাৰণ সম্পাদক ৰাজীৱ কুমাৰ ডেকাৰ সঞ্চালনাত অনুষ্ঠিতব্য সভাত সাধু কোৱা প্ৰতিযোগিতা, চিঠি লিখা, কবিতা লিখা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দিনৰ ২ বজাত ছাত্ৰ-ছাত্ৰীৰ ৰং-বিৰঙী অনুষ্ঠান অনুষ্ঠিত হ'ব। আনহাতে, ১২ ডিচেম্বৰত অনুষ্ঠিত হ'ব সাহিত্য সন্মিলন। জোনাইৰ বিশিষ্ট সাহিত্যিক ৰয়েল পেগুয়ে উদ্বোধন কৰিব লগীয়া সভাত সঞ্চালনা কৰিব সাহিত্যিক ডঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱে। সভাত চলচ্চিত্ৰ পৰিচালক সমৰেন্দ নাৰায়ণ দেৱ, বিশিষ্ট সাহিত্যিক ডঃ নগেন্দ্ৰ নাথ শৰ্মা, ডঃ বিজয় কুমাৰ শৰ্মা, ডঃ ৰাম চন্দ্ৰ ডেকা, ৰহস্য সাহিত্যিক কৃষ্ণ ৰঞ্জন ডেকাসহ বিশিষ্ট সাহিত্যিকসকলে অংশগ্ৰহণ কৰিব। উক্ত সভাতে পুনুৰাম কলিতাৰ সংস্কৃতৰ পৰা অসমীয়া অভিধান, যোগেন্দ চন্দ্ৰ নাথৰ উপন্যাস অন্তিম সুৰভী আৰু মামনী গোস্বামীৰ কবিতা পুথি হাঁহিৰ ফুল গ্ৰন্থ উন্মোচন কৰা হ'ব। আনহাতে, দিনৰ ২ বজাত আছুৰ দৰং জিলা সমিতিৰ উদ্যোগত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১৩ ডিচেম্বৰত পুৱা অনুষ্ঠিত হ'ব চিত্ৰাংকন প্ৰতিযোগিতা। উক্ত দিনাই দিনৰ ১ বজাত সংবাদ সাহিত্য আৰু আধুনিক অসমীয়া সাহিত্যৰ প্ৰসাৰ শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। মঙলদৈ প্ৰেছ ক্লাবৰ সভাপতি হোমেন কাকতিৰ সঞ্চালনাত অনুস্থিতব্য আৰু সাংবাদিক মধুসুধন মেধিয়ে উদ্বোধন কৰিব এই সভা। আনহাতে, ১৪ ডিচেম্বৰত গ্ৰন্থ মেলাৰ সামৰণি পৰিব। উক্ত দিনা মঙলদৈ ১০ খন গাঁৱৰ জন জীৱনৰ কাহিনী অনুষ্ঠান অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব চহিৰ ভূঞাই। বিয়লি ২ বজাত সামৰণি অনুষ্ঠান অনুষ্ঠান অনুষ্ঠিত হ'ব। মঙলদৈ মহাবিদ্যালয় অধ্যক্ষ ডঃ কমলাকান্ত বৰাই উদ্বোধন কৰিব লগীয়া উক্ত সভাত মন্ত্ৰী পীযুষ হাজৰীকা, কেশৱ মহন্তই অংশগ্ৰহণ কৰিব। সভাত খনিন্দ্ৰ ৰাজবংশীৰ সম্পাদনাত এখনি স্মৰণিকা প্ৰকাশ পাব।

# মৰিগাঁৱত কৃষক পঞ্জীয়ন প্ৰক্ৰিয়া আৰম্ভ, নাম পঞ্জীয়ন কৰিবলৈ আহ্বান

**ই-সংবাদ, লাহৰীঘাট ৬ ডিচেম্বৰঃ** দেশৰ আন আন ৰাজ্যৰ লগতে অসম চৰকাৰৰ কৃষি বিভাগে ৰাজহ বিভাগৰ সহযোগত কৃষক পঞ্জীয়ন প্ৰক্ৰিয়া আৰম্ভ কৰিছে। সেইদৰে মৰিগাঁও জিলা কৃষি বিভাগেও জিলা প্ৰশাসন তথা ৰাজহ বিভাগৰ সহযোগত এই প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ আগবাঢ়িছে। এই সন্দৰ্ভত মৰিগাঁও জিলা কৃষি বিভাগৰ জিলা কৃষি বিষয়া অশোক শৰ্মাই আজি সংবাদ মাধ্যমক জনোৱা মতে, জিলাখনত অহা ১৫ ডিচেম্বৰলৈকে চলিবলগীয়া প্ৰথম পৰ্যায়ৰ কৃষক পঞ্জীয়ন কাৰ্যসূচী জিলাখনৰ আটাইকেইটা কৃষি চক্ৰ আৰু গাঁও পঞ্চায়ত সামৰি অনুষ্ঠিত হ'ব। যিসকল কৃষকৰ নিজৰ নামত খেতি মাটিৰ জমাবন্দী আছে, তেওঁলোক কৃষক পঞ্জীয়নৰ বাবে যোগ্য বিবেচিত হ'ব। সেয়েহে পঞ্জীয়ন কৰিবলৈ আহোঁতে কৃষকসকলে নিজৰ আধাৰ কাৰ্ড, আধাৰৰ সৈতে সংযোগ হৈ থকা ফোন নম্বৰ আৰু নিজৰ নাম থকা মাটিৰ জমাবন্দী কপি লগত লৈ অহাটো বাধ্যতামূলক। উল্লেখ্য যে জিলা কৃষি বিভাগৰ উদ্যোগত আয়োজন কৰিবলৈ লোৱা এই কৃষক পঞ্জীয়ন প্ৰক্ৰিয়াত সকলোকে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

# ৰঙিয়াত সংগীত গ্ৰুপ অফ ক্ৰিয়েচনৰ বিশেষ সম্বৰ্ধনা অনুষ্ঠান

**ই-সংবাদ, ৰঙিয়া, ৬ ডিচেম্বৰঃ** সংগীত গ্ৰুপ অফ ক্ৰিয়েচনৰ উদ্যোগত ৰঙিয়াত ২৪ নৱেম্বৰত আয়োজিত বানেশ্বৰ দেৱ শৰ্মা বিশেষ ৰাজ্যিক বঁটা প্ৰদান অনুষ্ঠানৰ লগত সংগতি ৰাখি বুধবাৰে সন্ধিয়াৰ ভাগত বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ৰঙিয়াৰ আই টি আই প্ৰেক্ষাগৃহত এই উপলক্ষে অনুষ্ঠিত কৰা হয় গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ। সামাজিক-সাংস্কৃতিক সংগঠনটোৰ সম্পাদক পংকজ পল্লৱ শৰ্মাই আঁত ধৰা অনুষ্ঠানটো সঞ্চালনা কৰে বিশিষ্ট কবি তথা বানেশ্বৰ দেৱ শৰ্মা সোঁৱৰণি বঁটা প্ৰদান অনুষ্ঠানৰ কাৰ্যকৰী সভাপতি জাভেদ জামানে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত সাৰথি শান্তি নিবাস ন্যাসৰ সঞ্চালক তথা সংবাদদাতা বিপুল কলিতা, ৰঙিয়া ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ পৰিচালন সঞ্চালক ধ্ৰুৱজ্যোতি কলিতাৰ লগতে আন এগৰাকী উদ্যমী ব্যক্তি মহম্মদ গুলফামক কৰ্মজীৱনৰ স্বীকৃতি হিচাপে ফুলাম গামোচা, জাপি, মানপত্ৰ, স্মাৰক, গ্ৰন্থ আদিৰে সম্বৰ্ধনা জনোৱা হয়। একেখন মঞ্চতে আলহাজ আব্দুল বাৰেক, মনোজ কুমাৰ নাথ, প্ৰিয়াংকু চৌধুৰীৰ লগতে সাংবাদিক জিতুমণি শৰ্মা, ভাস্কৰ কলিতা আৰু দীনেশ আগৰৱালাক সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানটি পৰিচালনা কৰে সহকাৰী সম্পাদক চাকিল আহমেদে।

# মৰিগাঁৱৰ কাঁহিবাৰীৰ শ্ৰী শ্ৰী কৃষ্ণ ৰাস মহোৎসৱৰ ব্যাপক প্ৰস্তুতি

**ই-সংবাদ, মৰিগাঁও, ৬ ডিচেম্বৰঃ** মৰিগাঁৰৰ নিকটৱৰ্তী কাঁহিবাৰীত ৭ ডিচেম্বৰত এদিনীয়া বিস্তৃত কাৰ্যসূচীৰে বিগত বৰ্ষবোৰৰ দৰে এইবেলিও উলহমালহেৰে উদযাপন কৰিব শ্ৰীশ্ৰীকৃষ্ণ ৰাস মহোৎসৱ। কাঁহিবাৰী ৰাইজৰ উদ্যোগত মেলাশালী প্ৰাংগণত এদিনীয়াকৈ উদযাপন হ'বলগীয়া শ্ৰীশ্ৰীকৃষ্ণ ৰাস মহোৎসৱত পুৱা ৫ বজাত খোল-তাল মাংগলিক ধ্বনিৰ পিছতেই পুৱা ১০ বজাত পতাকা উত্তোলনে কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব উদযাপন সমিতিৰ সভাপতি গোপীনাথ মেধিয়ে। পুৱাৰ ভাগতেই কাৰ্যসূচী অনুসৰি বন্তি প্ৰজ্বলন কৰিব উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি অতুল শৰ্মাই আৰু স্মৃতি তৰ্পণ কৰিব উপ-সভাপতি টিকেন শৰ্মাই। তাৰ পিছতেই শৰাই স্থাপন কৰিব ঔগুৰি কৰচুং সত্ৰৰ সত্ৰাধিকাৰ লোহিত চন্দ্ৰ গোস্বামীয়ে। পুৱাৰ ভাগতেই কীৰ্তন পাঠ কৰিব পাঠাচাৰ্য উমেশ মেধিয়ে। দিনৰ ভাগত কাঁহিবাৰী ৰাইজৰ দ্বাৰা নাম-প্ৰসংগ আৰম্ভ হোৱাৰ উপৰি বিয়লি ভাগত ভুৰবন্ধা আঞ্চলিক সমন্বয় সংঘৰ উদ্যোগত খোল-প্ৰসংগ আৰম্ভ হ'ব। ইফালে, নিশাৰ ভাগলৈ কাঁহিবাৰী জীয়ৰী-বোৱাৰীসকলৰ অভিনয়ত প্ৰাণ পাই উঠা শ্ৰীকৃষ্ণৰ প্ৰেমত গোপীসকল আকুল হোৱাৰ নান্দনিক দৃশ্যই মোহিত কৰিবলগীয়া 'শ্ৰীকৃষ্ণ কেলিগোপাল' নাটখনিৰ শুভ উদ্বোধন কৰিব বৰঙাবাৰী সমবায় সমিতিৰ সভাপতি ইন্দ্ৰেশ্বৰ বৰাই। নিশা নাট শুভ উদ্বোধনী অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। উল্লেখ্য যে ভক্তিৰসৰ মধুৰ সমন্বয়েই হ'ল ৰাসলীলা। শৰৎকালৰ জ্যোৎস্না প্লাৱিত নিশাত গোপীসকলক প্ৰেমৰসত আপ্লুত কৰি শ্ৰীকৃষ্ণই যি লীলাৰে বৃন্দাবন উৎফুল্লিত কৰি তুলিছিল, সেই প্ৰেমলীলাৰ ভক্তিৰসে এইবাৰো মৰিগাঁৰৰ কাঁহিবাৰী শ্ৰীশ্ৰীকৃষ্ণ ৰাস মহোৎসৱটিত কলা-কুশলীৰ সুদক্ষ অভিনয়ে ভক্তিৰস, প্ৰেমৰসে বৃন্দাবন সদৃশ পৰিৱেশ বিৰাজ কৰিব। ইপিনে, সন্ধিয়াৰ পৰা নিশাৰ ভাগলৈকে কাঁহিবাৰীৰ জীয়ৰী-বোৱাৰীয়ে আখৰাৰ প্ৰস্তুতি তুংগত কৰি তোলা শ্ৰীশ্ৰীকৃষ্ণ ৰাস মহোৎসৱটি উপভোগ কৰিবলৈ উদযাপন সমিতিৰ সম্পাদক বলেন শৰ্মাই মৰিগাঁওবাসীক অনুৰোধ জনাইছে।

# চৰকাৰ এই সিদ্ধান্তত গো-পালকসকল ক্ষতিগ্ৰস্ত হ'বঃ চি পি আই এমৰ বিৰোধিতা

**ই-সংবাদ, ৬ ডিচেম্বৰঃ** মুখ্যমন্ত্ৰী বিমন্ত বিশ্ব শৰ্মাৰ কেবিনেটে গোমাংস নিষিদ্ধ কৰাৰ ঘোষণাৰ পিছতে সপক্ষে-বিপক্ষে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি গৈছে দল-সংগঠনে। বিৰোধী বামপন্থী দল চিপিআইএমৰ ৰাজ্যিক এই সিদ্ধান্তক তীব্ৰ নিন্দা কৰিছে। চিপিআইএমে এক বিবৃতি যোগে কয় যে সকলোৰে জ্ঞাত যে অসমত পূৰ্বৰে পৰা বুজন সংখ্যক মুছলমানধৰ্মী লোক সংখ্যাগুৰু হিন্দুধৰ্মী লোকৰ সৈতে ওচৰা-ওচৰিকৈ বসবাস কৰি আহিছে। পাৰস্পৰিক সন্মান আৰু শান্তি-সম্প্ৰীতিৰে বসবাস কৰি অহা বিভিন্ন ধৰ্মাৱলম্বী লোকৰ মাজত খাদ্যক লৈ অশান্তি আৰু সংঘাতৰ ইতিহাস ৰাজ্যখনত নাই। কিন্তু বিষাক্ত সাম্প্ৰদায়িক ৰাজনীতিৰে পৰিচালিত বিজেপিয়ে ধৰ্মীয় মেৰুকৰণৰ লক্ষ্যৰে খাদ্যাভাসক ৰাজনীতিৰ বিষয় কৰি লৈ সাম্প্ৰদায়িক সংঘাত সৃষ্টিৰ বাবে ধাৰাবাহিকভাৱে প্ৰচেষ্টা চলাই আহিছে। এই লক্ষ্যৰেই অসম গো-সংৰক্ষণ আইন, ২০২১ প্ৰণয়ন কৰিছে। অথচ মুখ্যমন্ত্ৰীসহ বিজেপি নেতৃত্বই ভালকৈয়ে জানে যে অসমৰ বাস্তৱতাত এই আইন সম্পূৰ্ণভাৱে প্ৰয়োগ সম্ভৱেই নহয়। কাৰণ আইনখনত থকাৰ দৰে গৰুৰ কিনা-বেচা বন্ধ কৰিলে হিন্দু-মুছলমান গো-পালক সকলোৱে সাংঘাতিকধৰণে ক্ষতিগ্ৰস্ত হ'ব। কেৱল সাম্প্ৰদায়িক উত্তেজনা বৃদ্ধিৰ স্বাৰ্থত এই আইন ঢাক-ঢোল বজাই প্ৰণয়ন কৰিলে। এতিয়া ৰাজহুৱা স্থানত আৰু সামাজিক অনুষ্ঠানত গো-মাংস নিষিদ্ধ কৰাৰ ঘোষণা হ'ল এই জঘন্য ৰাজনীতিকে আগবঢ়াই নিয়াৰ বাবে লোৱা প্ৰচেষ্টাৰে অংশবিশেষ। চিপিআইএমৰ ৰাজ্যিক কমিটিয়ে অসমৰ বিজেপি চৰকাৰৰ এনে বিপজ্জনক, প্ৰৰোচনামূলক আৰু সংঘাতকামী পদক্ষেপৰ তীব্ৰ নিন্দা কৰিছে। মুখ্যমন্ত্ৰীৰ ঘোষণাৰ দ্বাৰা ৰাজ্যখনৰ জনসংখ্যাৰ প্ৰায় ৩৮ শতাংশ বা ১ কোটি ২০ লাখ মুছলমান আৰু খ্ৰীষ্টানধৰ্মী লোকৰ সাংবিধানিক অধিকাৰৰ ওপৰত চৰম আঘাত হানিছে। বিজেপি চৰকাৰে দৰাচলতে খাদ্যাভ্যাসক অপৰাধ হিচাপে চিহ্নিত কৰাৰ অপচেষ্টা কৰিছে। চিপিআইএমৰ ৰাজ্যিক কমিটিয়ে বিজেপি চৰকাৰৰ এনে চৰম সাম্প্ৰদায়িক আৰু ফেচীবাদী সিদ্ধান্তক গৰিহণা দিছে।

# চেঙাৰ চৰাঞ্চলত ইউৰিয়া সাৰৰ নাটনি

**ই-সংবাদ, শিমলীতোলা, ৬ ডিচেম্বৰঃ** দক্ষিণ বৰপেটাৰ চেঙাৰ ভাতনাপাইতি ধৰ্মপুৰ আৰু বাঘমাৰা চৰত গাওঁ পঞ্চায়তৰ চৰকাৰী অনুজ্ঞা পত্ৰ থকা সাৰ ব্যৱসায়ী সকলে খেতিয়কৰ চাহিদা অনুপাতে পৰ্যাপ্ত সাৰ যোগান ধৰিব নোৱাৰাত বিমোৰত পৰিছে। দক্ষিণ বৰপেটাৰ কৃষি প্ৰধান বৃহত্তৰ চৰাঞ্চল প্ৰায় ৯০ শতাংশ মানুহ কৃষিৰ ওপৰত নিৰ্ভৰশীল। লক্ষাধিক কৃষকে মাখৈ,আলু ইত্যাদি বিভিন্ন খেতি কৰোঁতে প্ৰতিদিনে বৃহৎ পৰিমাণৰ ইউৰীয়া সাৰৰ প্ৰয়োজন হয় যদিও জিলা মাৰ্কেটিং বোৰ্ডৰ ফালৰ পৰা প্ৰতি অনুজ্ঞা পত্ৰৰ বিপৰীতে মাহে মাত্ৰ ২৫ ৰ পৰা ৩০ বস্তা ইউৰিয়া সাৰৰ যোগান ধৰে যাৰ ফলত কৃষকৰ চাহিদা অনুপাতে পৰ্যাপ্ত সাৰ যোগান ধৰিব নোৱাৰাত বৃহৎ ক্ষতিৰ সন্মুখীন হোৱাৰ আশংকা ব্যক্ত কৰিছে চৰাঞ্চলৰ কৃষক ৰাইজে। ইতিমধ্যে বৰপেটা জিলাত অসাধু বিষয়াৰে মিলি কিছু অনুজ্ঞা পত্ৰ থকা সাৰৰ দোকানীয়ে ইউৰিয়া সাৰৰ ক'লা বজাৰৰ আৰম্ভ কৰি কৃত্ৰিম নাটনি দেখাই গোপনে অধিক দামত বিক্ৰী কৰা বাতৰি নসাৎ কৰি কয় যে আমি দক্ষিণ বৰপেটাৰ অনুজ্ঞা পত্ৰ থকা সাৰৰ দোকানী সকলে কোনো কাৰণতে কলা বজাৰৰ লগত জড়িত নহয়। দক্ষিণ বৰপেটাৰ চৰাঞ্চলৰ অনুজ্ঞা পত্ৰ থকা সাৰৰ দোকানী সকলৰ লগতে ভুক্তোগী কৃষক ৰাইজে অসম চৰকাৰৰ বিভাগীয় মন্ত্ৰীৰ লগতে মাৰ্কেটিং বোৰ্ডক কৃষকৰ চাহিদা অনুপাতে পৰ্যাপ্ত সাৰৰ যোগান ধৰাৰ দাবী উত্থাপন কৰে।

# তামুলপুৰত অনুশাসনমূলক ব্যৱস্থা আৰু কাৰ্যবিৱৰণী সম্পৰ্কীয় বৈঠক

**ই-সংবাদ, তামুলপুৰ, ৬ ডিচেম্বৰঃ** আজি তামুলপুৰ জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত চৰকাৰী চাকৰিয়ালৰ অনুশাসনমূলক ব্যৱস্থা আৰু কাৰ্যবিৱৰণী সন্দৰ্ভত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ অধ্যক্ষতাত এখন সভা অনুষ্ঠিত হয়। অসম চৰকাৰৰ প্ৰাক্তন সচিব তথা অৱসৰপ্ৰাপ্ত এ চি এছ বিষয়া অতুল দত্ত ভূঞাই প্ৰেজেন্টেচনৰ জৰিয়তে চৰকাৰী চাকৰিয়ালৰ অনুশাসনমূলক বিভিন্ন বিষয়ৰ ওপৰত বিতং ব্যাখ্যা আগবঢ়ায়। বিশেষকৈ নিলম্বন, জৰিমনা বা শাস্তি, কাৰ্যপ্ৰণালী, অনুসন্ধান, বৰ্খাস্ত, লিখিত বিবৃতি, চহী আদি সন্দৰ্ভত তেখেতে উপস্থিত বিষয়াসকলক অৱগত কৰে। প্ৰেজেন্টেচনৰ পাছত বিষয়াসকলৰ সৈতে তেওঁ এক বাৰ্তালাপতো মিলিত হয়, য'ত কেবাগৰাকী বিষয়াৰ কিছু প্ৰশ্নৰো তেওঁ উত্তৰ দিয়ে। আজিৰ সভাখনত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ উপৰি অতিৰিক্ত আয়ুক্ত, সহকাৰী আয়ুক্ত আৰু বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে। উল্লেখ্য যে অৱসৰপ্ৰাপ্ত এ চি এছ বিষয়া অতুল দত্ত ভূঞাৰ পুত্ৰ ৰাজদ্বীপ দত্ত ভূঞাও আজিৰ বৈঠকত উপস্থিত থাকে।

# তালাপত মন্ত্ৰী পীযুষ হাজৰিকাই উদ্বোধন কৰিলে কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ নৱনিৰ্মিত গৃহ

**ই-সংবাদ, ডুমডুমা, ৬ ডিচেম্বৰঃ** জলসম্পদ মন্ত্ৰী পীযুষ হাজৰীকাই তিনিচুকীয়া জিলাৰ ডুমডুমাৰ তালাপৰ কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ নৱনিৰ্মিত গৃহ আৰু ছাত্ৰী আৱাসৰ শুভ উদ্বোধন কৰে। আজিৰ মন্ত্ৰীগৰাকীৰ এই কাৰ্যসূচীত সহযোগ কৰে ৮১ নং শদিয়া বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম গেছ কোম্পানী লিমিটেডৰ অধ্যক্ষ বলীন চেতিয়া আৰু মৰাণ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণে। বিদ্যলয়খন উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে সকলো ছাত্ৰী আৰু শিক্ষয়িত্ৰীক শুভেচ্ছা জনাই এক বক্তব্য প্ৰদান কৰে। অসম সৰ্বশিক্ষা মিছনৰ অধীনত পৰিচালিত হোৱা এই আৱাসিক বিদ্যালয়খনত বৰ্তমান ১০৫ গৰাকী ছাত্ৰী আছে আৰু একেটা চৌহদতে বিদ্যালয় গৃহৰ পাছফালে তিনিমহলীয়া ছাত্ৰী আৱাসটো অৱস্থিত। ইয়াৰ পিছতে মন্ত্ৰী হাজৰীকাই ছেখোৱা (ধলা)ৰ হাতীঘূলীৰ খহনীয়া পৰিদৰ্শন কৰাৰ লগতে নিৰ্মীয়মান মথাউৰিটোৰ কামৰ পৰিস্থিতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে অতি শীঘ্ৰেই উন্নত মানৰে মথাউৰিটো নিৰ্মাণ হৈ উঠাৰ আশ্বাস দিয়ে স্থানীয় ৰাইজক। এতিয়ালৈকে চতুৰ্থবাৰৰ বাবে হাতীঘূলীৰ খহনীয়াৰ লগতে মথাউৰি পৰিদৰ্শন কৰা মন্ত্ৰী পীযুষ হাজৰীকাই অতি শেষতীয়াকৈ ঘোষণা কৰা চাৰিগৰাকী বিধায়কৰ মন্ত্ৰীসভাত স্থান লাভ সন্দৰ্ভতো মন্তব্য কৰে।

# বিএছএফৰ প্ৰতিষ্ঠা দিৱসত ৰক্তদান শিবিৰ




**ই-সংবাদ, গোলকগঞ্জ, ৬ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ পাণবাৰীস্থিত বিএছএফৰ ৩১ নং বেটেলিয়নৰ মুখ্য কাৰ্যালয়ত বিএছএফৰ ষাঠি তম প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি যোৱা মঙলবাৰে বিনামুলীয়া ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। আনুষ্ঠানিকভাৱে শিবিৰৰ উদ্বোধন কৰে বিএছএফৰ ধুবুৰীৰ ডিআইজি কমল কুমাৰে। ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পাতালৰ চিকিৎসক ডাঃ কে জামানৰ নেতৃত্বত চিকিৎসকৰ দল এটাই মহাবিদ্যালয়ৰ ব্লাডবেংকৰ বাবে বৃহৎ পৰিমাণৰ তেজ সংগ্ৰহ কৰে। শিবিৰত বিএছএফৰ ৩১ নং বেটেলিয়নৰ চেকেণ্ড ইন কমাণ্ডেন সঞ্জয় কুমাৰ, বিহবৰ বহুগুণা, অমৰজিত সিং, জিতেন্দৰ সিং বক্সী, এম এন বিশ্বাস, কে এন ঠাকুৰ, পুনিত কৌশিক, গজেন্দ্ৰ সিঙকে ধৰি বহু বিষয়া উপস্থিত থাকে। শিবিৰত জমা হোৱা তেজেৰে বহুতৰে জীৱন ৰক্ষা পৰিব বুলি উল্লেখ কৰি চিকিৎসক ডাঃ কে জামানে বিএছএফৰ কাৰ্যক প্ৰশংসা কৰে।

# কামপুৰত কপিলী নৈৰ ওপৰত দ্বিতীয়খন দলং উদ্বোধন বিধায়ক জিতু গোস্বামীৰ, ৰাইজৰ সকাহ



**ই-সংবাদ, কামপুৰ, ৬ ডিচেম্বৰঃ** বহু অপেক্ষাৰ অন্তত তথা কামপুৰীয়া ৰাইজৰ দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি সঁহাৰি জনাই কামপুৰত কপিলী নদীৰ ওপৰত নিৰ্মাণ কৰা দ্বিতীয়খন পকী দলং আজি শুভ উদ্বোধন কৰি ৰাইজৰ বাবে মুকলি কৰি দিয়া হয়। প্ৰায় ত্ৰিশ কোটি টকা ব্যয়েৰে নিৰ্মাণ সম্পূৰ্ণ কৰি তোলা এই দলংখনৰ আজি শুভ উদ্বোধন কৰে বঢ়হমপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে।এক মাংগলিক পৰিৱেশত আৰু যথেষ্ট সংখ্যক লোকৰ উপস্থিতিত উদ্বোধন কৰি দিয়া ভাষণত বিধায়কগৰাকীয়ে অসমৰ মুখ্যমন্ত্ৰীগৰাকীৰ কামপুৰৰ প্ৰতি থকা মৰমৰ বাবেই এই নতুন দলংখন কামপুৰবাসীয়ে উপহাৰ হিচাপে লাভ কৰিলে বুলি মন্তব্য কৰে। বিধায়কগৰাকীয়ে কয় যে কপিলীৰ ওপৰত থকা কামপুৰৰ প্ৰথমখন দলঙৰ লগত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মৰ বহু স্মৃতি জড়িত হৈ আছে। গতিকে পুৰণি দলংখন পুনৰ মেৰামতি কৰি অহা ফেব্ৰুৱাৰী মাহত কামপুৰত নিৰ্মাণ হৈ থকা উৰণ সেতুখনৰ সৈতে একেলগে মুকলি কৰিব বুলি জানিবলৈ দিয়ে। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই দলংখনতেই হাতীৰ পিঠিত উঠি 'ককাদেউতা, নাতি আৰু হাতী' বোলছবিখনত নাতিৰ চৰিত্ৰত অভিনয় কৰিছিল। নতুন দলংখনে যাতায়াত সুচল কৰাৰ লগতে কামপুৰৰ যাতায়াত আৰু অৰ্থনীতিৰ ক্ষেত্ৰত সুপ্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে। মন কৰিবলগীয়া যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ২০১৯ চলতে এই দলংখনৰ আধাৰশিলা স্থাপন কৰিছিল। দলংখন দুবছৰৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছিল যদিও মূৰকত বহু পলমকৈ নিৰ্মাণ সম্পূৰ্ণ হোৱা পৰিলক্ষিত হয়। আজি এই দলং উদ্বোধনী অনুষ্ঠানত কলিয়াবৰ জিলা বিজেপি সভাপতি বাবুল বৰা, কামপুৰ মণ্ডলৰ সভাপতি শান্তিৰাম বৰা, পৌৰপতি ধৰিত্ৰী বৰুৱা, উপ-পৌৰপতি জয়ন্ত ফুকেন, পৌৰসভাৰ ৱাৰ্ড কমিচনাৰসকলৰ লগতে লোক নিৰ্মাণ বিভাগৰ বিষয়া উপস্থিত থাকে।

## মহিলাক উদ্দেশ্যি অশ্লীল গালি-গালাজ অবৈধ সুৰা ব্যৱসায়ীৰ

# শুৱালকুছিৰ ভিন্ন প্ৰান্তত মুকলিকৈ বিলাতী সুৰা বিক্ৰী অবৈধ ব্যৱসায়ীৰ

**ই-সংবাদ, শুৱালকুছি, ৬ ডিচেম্বৰঃ** কামৰূপ জিলাৰ শুৱালকুছিৰ নিৰ্মীয়মাণ অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ সমীপত দীৰ্ঘদিন ধৰি অবৈধভাৱে সুৰা বিক্ৰী কৰি থকা অঞ্জন দাস ওৰফে তপা আৰু নিতুল দাস ওৰফে চানা নামৰ দুজন যুৱকে যোৱা নিশা কলিতা উপাধিৰ এগৰাকী মহিলাক অসভ্য গালি-গালাজ কৰাৰ লগতে বিভিন্ন ভয়-ভাবুকি প্ৰদান কৰা কাৰ্য ভুক্তভোগী মহিলাগৰাকীৰ ফেচবুক লাইভত পোহৰলৈ আহিছে। ভুক্তভোগী মহিলাগৰাকীৰ পৰা জানিব পৰা অনুসৰি যোৱা নিশা তেওঁ শুৱালকুছি ব্লক অফিচ-মেডিকেল চ'ক সংযোগী পথেৰে নিজৰ দুচকীয়া বাহন লৈ গৈ থকা অৱস্থাত মূল পথতে দুই যুৱকে এখন এ এছ-০১ ই এ-১৯৬৯ নম্বৰৰ স্কুটী আৰু ৫-৬ টা কাৰ্টন লৈ সুৰা বিক্ৰী কৰি থকা প্ৰত্যক্ষ কৰে। তেওঁ যুৱক দুজনকৰাজপথতেই মুকলিকৈ সুৰা বিক্ৰী কৰি থকা কাৰ্যত বাধা প্ৰদান কৰাৰ লগে লগেই তেঁওক উদ্দেশ্যি অশ্লীল গালি-গালাজ কৰাৰ লগতে বিভিন্ন ভয়-ভাবুকি প্ৰদান কৰে সুৰা ব্যৱসায়ীদ্বয়ে। অবৈধ সুৰা ব্যৱসায়ী অঞ্জন দাস ওৰফে তপা আৰু নিতুল দাস ওৰফে চানাৰ এনে কাৰ্যত শংকিত হৈ ভুক্তভোগী মহিলাগৰাকীয়ে ফেচবুক লাইভযোগে সমগ্ৰ ঘটনা ৰাজহুৱা কৰে। লগতে তেওঁ শুৱালকুছিৰ ভিন্ন স্থানত এইদৰে মদ, ভাং আৰু বিভিন্ন নিচাজাতীয় সামগ্ৰী বিক্ৰী কৰি থকা চক্ৰটোৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। ইফালে, যোৱা ৮ অক্টোবৰতেই কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই কামৰূপৰ আৰক্ষী অধীক্ষক ৰঞ্জন ভুঞাক জিলাখনৰ বিভিন্ন স্থানত মদ, ভাং আৰু বিভিন্ন নিচাজাতীয় সামগ্ৰী বেহাৰ অভিযোগসমূহৰ ওপৰত তদন্ত কৰি এক প্ৰতিবেদন জমা দিবলৈ নিৰ্দেশ দিছিল যদিও কাৰ্যতঃ তাৰ কোনো প্ৰভাৱ দেখিবলৈ পোৱা নাই। জিলা প্ৰশাসন, আৰক্ষী, আবকাৰী বিভাগৰ বিষয়া কৰ্মচাৰীয়ে গিজগিজাই থকা কামৰূপ জিলাখনত কিদৰে মুকলিকৈ মদ, ভাং আদি নিচাজাতীয় সামগ্ৰীৰ মুকলি বেহা চলাত ৰাইজ ক্ষুব্ধ হৈছে।

# চতিয়াত শিশুক আনুষ্ঠানিক শিক্ষাৰ পৰা বঞ্চিত কৰি ধৰ্মীয় শিক্ষা প্ৰদানত গুৰুত্ব মাদ্ৰাছাৰ

**ই-সংবাদ, চতিয়া, ৬ ডিচেম্বৰঃ** কোৱা হয় শিশুৰেই দেশৰ ধৰণী! চৰকাৰে সকলো শিশু যাতে বিদ্যালয়মুখী হয় তাৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। এনে সময়তে ধৰ্মীয় সংখ্যালঘু কিছুমান অঞ্চলত এতিয়াও শিশুক আনুষ্ঠানিক শিক্ষাৰ পৰা বঞ্চিত কৰি একমাত্ৰ ধৰ্মীয় শিক্ষা দি শিশুক কোন দিশে লৈ গৈছে সেয়া চিন্তাৰ বিষয় হৈ পৰিছে। ধৰ্মীয় সংখ্যালঘু ৰাইজক প্ৰতিনিধিত্ব কৰা ছাত্ৰ সংগঠন সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰো মূল শ্ল'গান 'ঘৰে ঘৰে শিক্ষা, তেতিয়াহে ৰক্ষা' এই শ্ল'গানো অসাৰ হৈ পৰিছে সংখ্যালঘু অঞ্চলত গঢ়ি উঠা কিছুমান মাদ্ৰাছাত। চৰকাৰী নিয়ম অনুসৰি মাদ্ৰাছাসমূহত ধৰ্মীয় শিক্ষাৰ লগতে আনুষ্ঠানিক শিক্ষাত গুৰুত্ব আৰোপ কৰিব লাগিব আৰু শিক্ষা বিভাগৰ অনুমতি গ্ৰহণ কৰি মাদ্ৰাজাসমূহত ডাইছ কড থাকিব লাগিব। কিন্তু বহু মাদ্ৰাছাই নামানে চৰকাৰী নীতি-নিয়ম। বিশ্বনাথ জিলাৰ চতিয়াৰ ২ নং আধাভেটিৰ দাৰুল কোৰান হাফিজীয়া মাদ্ৰাছাৰ নাই কোনো ধৰণৰ চৰকাৰী অনুমতি। চতিয়াৰ ২ নং আদাভেটীত থকা মাদ্ৰাছাখনত কণ কণ শিশুসকলক সাধাৰণ শিক্ষাত গুৰুত্ব আৰোপ নকৰি ধৰ্মীয় শিক্ষাত গুৰুত্ব প্ৰদান কৰা হয়। ইফালে, কণ কণ ছাত্ৰ-ছাত্ৰীসকলক অতি কদৰ্যময় পৰিৱেশত থাকিবলৈ বাধ্য কৰা হৈছে। এই ঠাণ্ডাৰ সময়ত শিশুসকলক মজিয়াত শুবলৈ দিয়া হয়। শিশুসকলৰ বাবে খাদ্য প্ৰস্তুত কৰা ৰান্ধনিশালৰো অৱস্থা তথৈবচ। শিশু সুৰক্ষা আইনো উলংঘন হৈছে বুলি অভিযোগ উঠিছে।

# পলিঅ' অভিযানক লৈ তিনিচুকীয়াত প্ৰশাসনৰ প্ৰস্তুতি

**ই-সংবাদ, ডুমডুমা, ৬ ডিচেম্বৰঃ** বিশ্বৰ পৰা পলিঅ' নিৰ্মূলকৰণৰ বাবে বিশ্ব স্বাস্থ্য সংস্থাৰ তত্বাৱধানত যোৱা বহু বছৰ ধৰি চলি থকা টিকাকৰণ অভিযানে যথেষ্ট সফলতা লাভ কৰিছে যদিও চুবুৰীয়া পাকিস্তান, আফগানিস্তান আদি কেইখনমান দেশত দেখা দিয়া নতুন পলিঅ' ৰোগীৰ তথ্যই সকলোকে চিন্তিত কৰি তুলিছে। সেয়েহে, অসমকে ধৰি দেশৰ বচা বচা ৬ খন ৰাজ্যত অহা ৮ ডিচেম্বৰ দিনটো অৰ্ধ ৰাষ্ট্ৰীয় পলিঅ' দিৱস হিচাপে উদযাপন কৰিবলৈ লোৱা হৈছে। সেইদিনা ৰাজ্যৰ তিনিচুকীয়াসহ মুঠ ২৬ খন জিলাৰ সকলো চৰকাৰী চিকিৎসালয়ৰ উপৰিও ৯০৯ টা বুথ আৰু ৩১ টা যাতায়ত কেন্দ্ৰত ০-৫ বছৰ বয়সৰ সকলো শিশুকে পালছ পলিঅ'ৰ প্ৰতিষেধক প্ৰদান কৰা হ'ব। এই সন্দৰ্ভত কালি তিনিচুকীয়া জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত বিভিন্ন বিভাগক লৈ গঠিত জিলা স্বাস্থ্য সমিতিৰ এখন সভাত এই বিষয়ে বিতং কাৰ্যসূচী প্ৰস্তুত কৰা হ'য়। অতিৰিক্ত আয়ুক্ত চিন্ময় পাঠকৰ সভাপতিত্বত অনুষ্ঠিত সভাত উত্থাপিত তথ্য অনুসৰি এই অভিযানত জিলাখনত থকা ১,৯০, ২০৩ টি পাঁচ বছৰ বা তাৰ অনুৰ্ধৰ শিশুক প্ৰতিষেধক প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। অহা ৮ ডিচেম্বৰত সকলোকে সকলো চৰকাৰী চিকিৎসালয়, বিভিন্ন অঙ্গনবাড়ী কেন্দ্ৰ, বিদ্যালয়, ৰাজহুৱা বাছ বা ৰেল আস্থান আদিত স্থাপন কৰিবলগীয়া পলিঅ' বুথ সমূহলৈ শিশুসকলক লৈ আহি টিকাকৰণ কৰাবলৈ সকলো অভিভাৱককলৈ জিলা প্ৰশাসনৰ তৰফৰ পৰা আহ্বান জনোৱা হৈছে। ইয়াৰ পিছৰ দুদিন, অৰ্থাৎ ৯ আৰু ১০ ডিচেম্বৰত স্বাস্থ্য কৰ্মীসকলে ঘৰে ঘৰে গৈ খবৰ কৰিব আৰু বাদ পৰি যোৱা শিশুসকলক প্ৰতিষেধক প্ৰদান কৰিব। অৱশ্যে ঘৰত লোৱাতকৈ কেন্দ্ৰলৈ আহি লোৱাটো বেছি উপযোগী বুলি যুটীয়া স্বাস্থ্য সঞ্চালক গৰাকীয়ে জানিবলৈ দিয়ে। ইয়াৰ বাবে নিয়োজিত ৩৪৯০ গৰাকী বুথ কৰ্মী আৰু ১৮০ গৰাকী ছুপাৰভাইজাৰৰ সকলোকে প্ৰশিক্ষণ প্ৰদান কৰাৰ কথাও উল্লেখ কৰে। সভাত তিনিচুকীয়া পৌৰসভাৰ পৌৰপতি পুলক চেতিয়া, জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডা: জয়ন্ত ভট্টাচাৰ্য, জিলা প্ৰতিষেধক বিষয়া ডা: নিৰোদ কুমাৰ বৰা, বিশ্ব স্বাস্থ্য সংস্থাৰ নিৰীক্ষক স্বাস্থ্য বিষয়া ডা: এছ ভিক্ট'ৰিয়া উপস্থিত থাকে। ইফালে, পূৰ্বৰ দৰে এই পলিঅ' অভিযানতো ৰাইজৰ পূৰ্ণ সহযোগিতা জিলা আয়ুক্ত স্বপনীল পালে কামনা কৰিছে। এই ক্ষেত্ৰত তেওঁ ৰাইজক সম্পূৰ্ণ আশ্বস্ত কৰি কয় " আগতে প্ৰতিষেধক লোৱাসকলেও এইবাৰ প্ৰতিষেধক ল'ব লাগিব। ইয়াৰ কোনো পাৰ্শ্বক্ৰিয়া নাই বুলি বিশ্ব স্বাস্থ্য সংস্থাই নিশ্চিত কৰিছে।"

# কৰদৈগুৰি এফচি ছেমিত



**ই-সংবাদ, ডুমডুমা, ৬ ডিচেম্বৰঃ** অসম ফুটবল সন্থা আৰু তিনিচুকীয়া জিলা ক্ৰীড়া সন্থাৰ তত্বাৱধানত তালাপ-কৰদৈগুৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত বৰগড়া ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত প্ৰথম বাৰ্ষিক ৰাষ্ট্ৰীয় পৰ্যায়ৰ দিবা-নৈশ আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতা "কৰদৈগুৰি কাপ-২০২৪" ৰ আজি দ্বিতীয় দিনাৰ খেলত কৰদৈগুৰি এফচি আৰু নামৰূপ টাউন ক্লাবৰ মাজত অনুষ্ঠিত হয়। খেলত কৰদৈগুৰি এফচিয়ে নামৰূপ টাউন ক্লাবক ২-১ গ'লৰ ব্যৱধানত পৰাজিত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। কৰদৈগুৰি এফচিৰ হৈ সীমান্ত মৰাণে ২৩ মিনিট আৰু সত্য দহোটীয়াই ৩১ মিনিটত একোটাকৈ গ'ল দিয়ে। ইপিনে নামৰূপ টাউন ক্লাবৰ ৰাহুল বৰ্মনে ২৫ মিনিটত এটা গ'ল পৰিশোধ কৰে। আজিৰ খেলৰ শ্ৰেষ্ঠ খেলুৱৈ সত্য দহোটীয়াক ট্ৰফীসহ নগদ ধনেৰে পুৰস্কৃত কৰা হয়। ৭ ডিচেম্বৰৰ খেলত চিজিএছএছ (ডিব্ৰুগড়)-এ লিংজেং এফ চি (মণিপুৰ)ৰ বিৰুদ্ধে খেলিব।

# বিশ্বনাথলৈ গৌৰৱ কঢ়িয়ালে মাইনাই



**ই-সংবাদ, বিশ্বনাথ, ৬ ডিচেম্বৰঃ** সদৌ অসম ভিত্তিত গুৱাহাটীত অনুষ্ঠিত হোৱা এমআৰ সমীৰ ক্লাচিকৰ উদ্যোগত শৰীৰ চৰ্চাত প্ৰথম স্থান লাভ কৰি বিশ্বনাথলৈ গৌৰৱ কঢ়িয়াই আনিলে বিশ্বনাথৰ জীয়ৰী মাইনা হাজৰিকাই। বিশ্বনাথৰ পাভৈ অঞ্চলৰ পাভৈ বামুনীপথাৰৰ নিবাসী ৰিয়াজ হাজৰীকা আৰু প্ৰয়াত মাতৃ মাখনি হাজৰিকাৰ সুযোগ্য কন্যা মাইনা হাজৰিকা। যুৱতীগৰাকীয়ে ২০১৯ চনৰ পৰাই আৰম্ভ কৰিছিল শৰীৰ চৰ্চা। ইতিমধ্যে অসম ভিত্তিত এম আৰ সমীৰ ক্লাচিকৰ ফালৰপৰা অনুষ্ঠিত কৰা শৰীৰ চৰ্চাত অসমৰ বিভিন্ন জিলাৰ পৰা অংশগ্ৰহণ কৰা প্ৰতিযোগীৰ ভিতৰত এছ বি ফিটনেছ ক্লাৱত প্ৰশিক্ষণ লৈ অহা এই যুৱতীগৰাকীয়ে সফলতা অৰ্জন কৰিবলৈ সক্ষম হয়।




## বুমৰাহৰ ওপৰতেই নিৰ্ভৰ কৰিছে ভাৰতৰ প্ৰত্যাৱৰ্তন

# এডিলেইডত ষ্টাৰ্কৰ ধুমুহাত ১৮০ত ইনিংছ সামৰিলে ভাৰতে

**ছিডনী, ৬ ডিচেম্বৰঃ** এডিলেইড টেষ্টৰ প্ৰথম দিনা চালকৰ আসনত অধিষ্ঠিত হ'বলৈ সমৰ্থ হৈছে ঘৰুৱা দল অষ্ট্ৰেলিয়া। টছত জয়ী হৈ ৰোহিত শৰ্মাই বেটিং কৰাৰ সিদ্ধান্ত লয় যদিও মাত্ৰ ১৮০ ৰানতে প্ৰথম ইনিংছ সামৰিবলৈ বাধ্য হয় ভাৰতে। টপ অৰ্ডাৰৰ পৰা মিডল অৰ্ডাৰলৈকে ভাৰতীয় বেটাৰসকল সম্পূৰ্ণৰূপে ব্যৰ্থ হৈ পৰে। নীতিশ কুমাৰ ৰেড্ডি, কে এল ৰাহুল আৰু শুভমন গীলৰ বাদে সকলোৱেই তেনেই কম ৰানতে পেভিলিয়নমুখী হয়। ৰেড্ডিয়ে সৰ্বাধিক ৪২, ৰাহুলে ৩৭ আৰু শুভমনে ৩১ ৰানৰ বৰঙণি আগবঢ়ায়। অধিনায়ক ৰোহিত শৰ্মাই ৩ আৰু বিৰাট কোহলিয়ে মাত্ৰ ৭ ৰানতে স্ক'ৰ কৰে। অষ্ট্ৰেলিয়াৰ হৈ মিশ্বেল ষ্টাৰ্কে ১৪.১ অভাৰত ২টা মেইডেনসহ মাত্ৰ ৪৮ ৰান ব্যয় কৰি দখল কৰে ৬টাকৈ গুৰুত্বপূৰ্ণ উইকেট। পেট কামিন্স আৰু স্কট বলাণ্ড দুয়োজনে দুটাকৈ উইকেট লাভ কৰে। ষ্টাৰ্কে দীৰ্ঘদিনৰ পিছত ফৰ্ম ঘূৰাই পোৱাৰ ফলতে ভাৰতীয় বেটাৰসকলে দীৰ্ঘসময় ধৰি ক্ৰিজত তিষ্ঠি থকাতো কঠিন হৈ পৰা পৰিলক্ষিত হয়। ইয়াৰ পিছত অষ্ট্ৰেলিয়াই নিজৰ প্ৰথম ইনিংছ আৰম্ভ কৰি ১টা উইকেট হেৰুৱাই ৮৬ ৰান সংগ্ৰহ কৰিছে। দিনান্তত নাথান মেকচুইনিয়ে ৩৮ আৰু মাৰ্নাছ লাবুছানেই ২০ ৰানেৰে ক্ৰিজত আছে। আজি ভাৰতৰ হৈ একমাত্ৰ উইকেটটো লাভ কৰে যশপ্ৰীত বুমৰাহে। এতিয়া কাইলৈ দ্বিতীয় দিনা পিংক বলৰ জৰিয়তে যশপ্ৰীত বুমৰাহেও ষ্টাৰ্কৰ দৰেই গতি লাভ কৰিলে কেংগাৰু বাহিনী প্ৰথম টেষ্টৰ দৰেই বিপৰ্যয়ৰ সন্মুখীন হ'ব বুলি মন্তব্য কৰিছে বিশ্লেষকসকলে। উল্লেখ্য যে, শৃংখলাটোত ১-০ আগবাঢ়ি আছে ভাৰতীয় দলটো।

# অইল ইণ্ডিয়াৰ ফাইনেলত প্ৰৱেশ

**ই-সংবাদ ক্ৰীড়া সেৱা নগাঁও, ৬ ডিচেম্বৰঃ** ডিফেণ্ডিং চেম্পিয়ন দুলীয়াজানৰ অইল ইণ্ডিয়া এফ চিয়ে গ'লৰক্ষক অবিনাশ মেচৰ চমকপ্ৰদ প্ৰদৰ্শনৰ সহায়ত নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা ৭৬ সংখ্যক সৰ্বভাৰতীয় আমন্ত্ৰণমূলক স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ঐতিহ্যমণ্ডিত এই প্ৰতিযোগিতাৰ আজি প্ৰথমখন ছেমি ফাইনেলত নগাঁৱৰ দৰ্শকৰ প্ৰিয় অইল ইণ্ডিয়া এফ চিয়ে কলকাতাৰ অনুশীলনী ফুটবল দলক টাইব্ৰেকাৰত ৪-৩ গ'লত পৰাজিত কৰে। আক্ৰমণ-প্ৰত্যাক্ৰমণৰে ভৰপুৰ তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখন নিৰ্ধাৰিত সময়ত গ'লশূণ্যভাৱে ড্ৰ' হোৱাৰ বাবে খেলৰ ফলাফলৰ বাবে টাইব্ৰেকাৰ (পেনাল্টি শ্বুট আউট)ৰ সহায় লোৱা হয়। টাইব্ৰেকাৰত অইল ইণ্ডিয়াৰহৈ টুপু ব্ৰহ্ম, মাণ্ডিলা ৰংমেই, চাংচন শইকীয়া আৰু আক্ৰাং নাৰ্জাৰীয়ে গ'ল স্ক'ৰ কৰাৰ বিপৰীতে অনুশীলনীৰ হৈ বিজয় কৰ্মকাৰ, অমিয় অধিকাৰী আৰু অয়ন ৰয়চৌধুৰীয়েহে গ'ল স্ক'ৰ কৰিবলৈ সক্ষম হয়। মনকৰিবলগীয়া যে, আজিৰ খেলখনৰ অন্তিম ত্ৰিশ মিনিট সময়ত অইল ইণ্ডিয়াৰ খেলুৱৈসকলে সংঘবদ্ধতাৰে কৌশলগতভাৱে খেলি বিপক্ষৰ ৰক্ষণ বিভাগত উপৰ্যুপৰি হেঁচা প্ৰয়োগ কৰিছিল যদিও ফৰৱাৰ্ড লাইনৰ খেলুৱৈকেইজনৰ দুৰ্বলতাৰ বাবে গ'ল দিয়াত ব্যৰ্থ হয়। বিশেষকৈ সুযোগসন্ধানী খেলুৱৈ মিলন বসুমতাৰীয়ে গ'ল দিয়াৰ দুটা সহজ সুযোগ নষ্ট কৰে। অনুশীলনীৰ গ'লৰক্ষক ভিভাস পণ্ডিতৰ অখেলুৱৈসুলভ আচৰণে স্থানীয় ক্ৰীড়াপ্ৰেমীক নিৰাশ কৰাৰ বিপৰীতে অইল ইণ্ডিয়াৰ গ'লৰক্ষক অবিনাশ মেচৰ দৃষ্টিনন্দন প্ৰদৰ্শনে আজি নগাঁৱৰ ক্ৰীড়াপ্ৰেমী দৰ্শকক মোহিত কৰে। প্ৰাক্তন ৰাষ্ট্ৰীয় ৰেফাৰী নাচিৰউদ্দিন আহমেদ মেচ কমিচনাৰৰূপে থকা খেলখন পৰিচালনা কৰাত ৰেফাৰী আব্দুল মজিদ চৌধুৰীক সহায় কৰে ৰূপম বৰদলৈ, চুচাং আও আৰু শৈলেন ভূঞা (চতুৰ্থ) ই। নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাসৰ উপৰি আয়োজক সমিতিৰ অন্যতম বিষয়ববীয়া উজ্জল বৰুৱা, অসীম কুমাৰ ভাৱাল, দেৱজিৎ দাস, শুভ্ৰজ্যোতি শইকীয়া, দেৱজ্যোতি গোস্বামী, সঞ্জয় কুমাৰ মাহাতো, প্ৰচাৰ উপ-সমিতিৰ আহ্বায়কদ্বয় মৃনাল কুমাৰ হাজৰিকা আৰু সমীৰ হাজৰিকাই জানিবলৈ দিয়ামতে, কাইলৈ বিয়লি ১-৪৫ বজাত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয়খন ছেমিফাইনেল খেলত গোসাইগাঁৱৰ গ্ল'বেল এফ চিয়ে মণিপুৰৰ আচুফী ফুটবল একাডেমীৰ বিৰুদ্ধে প্ৰতিদ্বন্দিতা আগবঢ়াব।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি